জুন 26



ইন্দিৰা গান্ধী
দেৱ কান্ত বৰুৱা
ৰজনী পেটেল
এছ. এছ. ৰয়

আয়ুব চৈয়দৰ
সৈতে
আছুতীয়া সাক্ষাৎকাৰ

জুন 26 :

নতুন দৃষ্টিভঙ্গী

আয়ুব চৈয়দ

পাতনি

1975 চনৰ 26 জুনত ভাৰতক ৰাজনৈতিক বিপৰ্য্যয়ৰ পৰা ৰক্ষা কৰা হয়। প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ সাহসী, সু-সিদ্ধান্তমূলক আৰু চমকপ্ৰদ কাৰ্য্যব্যৱস্থাই এই তাৎপৰ্য্যপূৰ্ণ দিনটোত ৰাষ্ট্ৰ আৰু ইয়াৰ স্বাধীনতা ৰক্ষা কৰিলে।

1971 চনৰ নিৰ্বাচনত কংগ্ৰেছে বিপুলভাবে জয়লাভ কৰাৰে পৰা চৰমপন্থা শক্তিসমূহে গণতন্ত্ৰক বিপৰ্য্যস্ত কৰিবলৈ উঠিপৰি লাগে। 'কাৰেণ্ট' এই প্ৰাৰম্ভিক বিপদৰ বিষয়ে বাৰে বাৰে ৰাষ্ট্ৰক সকিয়াই দিছিল। এই কাকতৰ সম্পাদক মণ্ডলী আৰু বাতৰি যোগনীয়াৰ সকলে বিহাৰ আৰু গুজৰাটৰ আন্দোলন, ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য আৰু ইয়াক বিত্ত যোগান দিয়া, সমৰ্থন দিয়া আৰু নেতৃত্ব দিয়া শক্তি-সমূহৰ বিষয়ে তদন্ত চলায়। এই কাকতত প্ৰকাশ পোৱা ভালেমান তথ্যই কেৱল পঢ়ুৱৈসকলৰ আগতেই নহয় কৰ্তৃপক্ষৰ আগতো ইয়াৰ স্বৰূপ উদঙাই দেখুৱায়।

1974 চনৰ 9 নৱেম্বৰৰ দিনা আমি এই আন্দোলনক "আদৰ্শগত ভাবে লক্ষ্যবিহীন" বুলি অভিহিত কৰোঁ আৰু ই "আন্দোলন নে অৰাজকতা" জানিবলৈ বিচাৰোঁ। আমি কৈছিলোঁ :

"কোনো মতেই শ্ৰীজয়প্ৰকাশ নাৰায়ণ এজন সৰ্বোদয় নেতা নহয়। নতুন এক শৃঙ্খলা অনাৰ নামত অৰাজকতাপূৰ্ণ পৰিস্থিতিক প্ৰশ্ৰয় দিয়া তেওঁ হ'ল এজন অসাৱধান ৰাজনীতিক। তেওঁক প্ৰশংসা কৰিব পৰা একমাত্ৰ কথা এইটোৱেই যে হঠাতে খহি পৰিব পৰা অৱস্থা এটালৈ দেশখনক নেতৃত্ব দিয়াত তেওঁ নিখুঁট ভাবে এটা সুযোগ গ্ৰহণ কৰিলে···। তেওঁৰ 'আন্দোলনক' বিকশাই তোলা শক্তিসমূহৰ কংগ্ৰেছৰ ভাগ্য বিপৰ্য্যয়ৰ সুবিধা লবলৈ থকা ইচ্ছাৰ বাহিৰে উমৈহতীয়া উদ্দেশ্য একোৱেই নাই। দেশখনক নিজৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ নেতৃত্ব দিবলৈ জে পিৰ গান্ধীৰ নিচিনাকৈ নৈতিক বলো নাই

আৰু নেহৰুৰ নিচিনা ৰাজনৈতিক শক্তিও নাই। উচ্ছৃঙ্খল শক্তি সমূহে এক গোট হৈ ইয়াকেই পাবলৈ বিচাৰিছিল।

এই 'আন্দোলন' আৰম্ভ কৰিবলৈ তেওঁ সমবেত কৰোৱা বহুৰূপী দলটো যি সকলক লৈ গঠিত—তেওঁলোকৰ সাম্প্ৰদায়িক মদগৰ্বী স্বভাৱৰ কথা সকলোৱে জানে। আন্দোলন যে পশ্চাদগমন হ'ব নোৱাৰে, জে পি এজন প্ৰাক্তন সমাজবাদী যেতিয়া, এই কথা তেওঁ ভালকৈয়ে জানে।"

এমাহ পিছত তেওঁৰ নতুন শিষ্য আৰু বি এল দিব কোষাধ্যক্ষ বিজু পাটনায়কৰ স্বৰূপ আমি উদঙাই দিলোঁ। সুন্দৰ তথ্যপাতি দাঙি ধৰি আমি সুধিছিলোঁ—"পাটনায়কে অসৎ উপায়েৰে অৰ্জা সা-সম্পত্তিৰ বিষয়ে লোকনায়কে তদন্ত কৰিবনে?"

বিশ্বৰ ভিতৰ চ'ৰাৰ ভূ ৰখা কাবেণ্টে এনে এটা দুৰ্যোগৰ পৰা হাত সৰাত দেশখনক সহায় কৰিলে। চোৰাং বেপাৰীৰ বিৰুদ্ধে 'মিছা' আইন প্ৰয়োগ কৰিবলৈ আমি দাবী জনাওঁ আৰু সপ্তাহৰ পিছত সপ্তাহ ধৰি দেশখনক ছাটি ধৰা চোৰাং বেপাৰৰ জালখন আৰু ইয়াত জড়িত লোকসকলৰ বিষয়ে প্ৰকাশ কৰোঁহক।

ৰাজনৈতিক দুষ্কৃতিকামী আৰু সন্ত্ৰাসবাদী সকলকো আমি এৰি দিয়া নাই। "হিংসাত্মক অপৰাধৰ মাত্ৰা বাঢ়ি গৈছে; বিহাৰত বন্দুক-বাৰুদ, বোমা আদি নিৰ্মাণ কৰাটো কুটিৰ শিল্পৰ দৰেই হৈছে। "এনে এটা নৃশংস বোমাই ললিত নাৰায়ণ মিশ্ৰৰ প্ৰাণ ললে। আমি সুধিছিলোঁ,—"মিশ্ৰক কোনে হত্যা কৰিলে?" আৰু ইয়াৰ উত্তৰ আছিল:

"আমাৰ সমাজত এনেকুৱা ভাবিব নোৱৰা ধৰণৰ বিকৃত লোক আছে যি এই নৃশংস হত্যাকাণ্ডত দেখদেখকৈ আনন্দ প্ৰকাশ কৰিছে। তেওঁলোকে মিঠাই বিলোৱাও দেখা গৈছিল। এইসকল লোকেই 27 বছৰৰ আগতে মহাত্মা গান্ধীৰ বলিদানত আনন্দ প্ৰকাশ কৰিছিল।"

পিছৰ সপ্তাহত ৰায়পুৰৰ পৰা দিয়া বাতৰিত আমি এইদৰে সকিয়াই দিছিলোঁ, "মধ্য প্ৰদেশত আনন্দ মাৰ্গীৰ সমাগম: ছত্তীছগড়ত বিহাৰৰ নিচিনা আন্দোলন চলোৱাত তেওঁলোকে আৰ্থিক সাহায্য দিব।"

1975 চনৰ আগভাগত গুজৰাটত জে পিয়ে তেওঁৰ 'আন্দোলন' বিষপাৰলৈ প্ৰচেষ্টা চলাওঁতে আমি তেওঁৰ ৰাটাৰলুক এইদৰে ভৱিষ্যৎবাণী কৰিছিলোঁ: "বিপৰীত গতিৰ বিপ্লৱ"। এই সংখ্যাতে আৰু এছ এছ আৰু আনন্দ মাৰ্গ নিষিদ্ধ কৰিবলৈ আমি চৰকাৰক আহ্বান জনাইছিলোঁ আৰু জৰুৰী অৱস্থা ঘোষণাৰ পিছত এই কাম কৰা হয়।

গণতন্ত্ৰ দিবস উপলক্ষ্যে প্ৰকাশ কৰা বিশেষ সংখ্যাতো জে পি আন্দোলনৰ ভিতৰ চ'ৰা, তেওঁৰ সমৰ্থক সকলৰ গতি-বিধি আৰু বিভিন্ন ৰাজ্যত তেওঁ আৰম্ভ কৰা আন্দোলনৰ গতিৰ বিষয়ে উদঙাই দিয়া হয়।

শ্ৰী ডি. কে. বৰুৱা কংগ্ৰেছ সভাপতি হোৱাৰ পিছত জে পিৰ "ট্ৰ'জান ঘোঁৰা"ক নিঃশেষ কৰিবৰ কাৰণে দলটো জাৰিজোকাৰি লবলৈ দাবী জনাইছিলোঁ।

কংগ্ৰেছক সকিয়াই দিবলৈ চলোৱা প্ৰচেষ্টাত আমি একোৰেই এৰা নাই। ফেব্ৰুৱাৰীত কংগ্ৰেছৰ এটা সৰু দলে জে পিক গণতন্ত্ৰ আৰু সমাজবাদৰ ত্ৰাণকৰ্ত্তা হিচাপে দেখুৱাবলৈ চেষ্টা কৰাৰ সময়ত আমি দলৰ নেতৃত্বক চন্দ্ৰশেখৰ, কৃষ্ণকান্ত আৰু মোহন ধাৰিয়াই কুটাঘাত কৰাৰ কথা সকিয়াই দিছিলোঁ। তেতিয়াই এই তিনিও জনকে দলৰ পৰা বাহিৰ কৰি দিয়া হয়।

আমি এই কথা স্পষ্টকৈ জানিছিলোঁ তেওঁৰ "আন্দোলনৰ" ৰাজহাড়-ডাল আৰ এছ এছক লৈ গঠন হৈ থকালৈকে জে পিক কেতিয়াও এজন গণতন্ত্ৰবাদী অথবা সমাজবাদী বুলি কব নোৱাৰি। সংসদলৈ কৰা তেওঁৰ মহান যাত্ৰাক "বিস্মৃতিৰ বুকুলৈ জয়প্ৰকাশৰ মহান যাত্ৰা" বুলি আমি বৰ্ণনা কৰিছিলোঁ। পিছত ই দৈৱবাণীৰ দৰেই কাম কৰিলে।

কেৱল জে পি আন্দোলনক গৰিহণা দিয়েই আমি ক্ষান্ত থকা নাছিলোঁ; গভাৰতৰ ৰাষ্ট্ৰীয় প্ৰশ্নৰাজিৰ ওপৰতো আলোকপাত কৰিছিলোঁ। এলাহাবাদ ৰায়দানৰ পিছত বিৰোধী দলসমূহে যেতিয়া শ্ৰীমতী গান্ধীৰ পদত্যাগ দাবী কৰিছিল তেতিয়া কাৰেণ্টে প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ হৰফেৰে লিখিছিল,—"তেওঁ পদত্যাগ কৰা উচিতনে? নহয়"। ইয়াত কোৱা হৈছিল:

"আইনগত, ৰাজনৈতিক, নৈতিক, অথবা ব্যক্তিগত—যি কাৰণতেই নহওক লাগে ইয়াৰ উত্তৰ হ'ব, নহয়।"

তেওঁ নিজ পদত অব্যাহত ভাবে থকাৰ বাবে অহা ৰাষ্ট্ৰীয় দাবীক জনতাৰ আহ্বান বুলি বৰ্ণনা কৰে। আৰু ৰাষ্ট্ৰপতিয়ে জৰুৰী অৱস্থা ঘোষণা কৰাৰ সময়ত কাৰেণ্টেই পোন প্ৰথমে ইয়াত আদৰণি জনায় আৰু ইয়াৰ সমৰ্থনত যুক্তি প্ৰদৰ্শন কৰে, কিয়নো আমাৰ ভাবধাৰাৰ লগত ইয়াৰ সামঞ্জস্য আছে। জৰুৰী অৱস্থা ঘোষণাৰ পিছত আমাৰ প্ৰথম প্ৰকাশত কোৱা হৈছিল "ভাৰতক বিপৰ্য্যয়ৰ পৰা ৰক্ষা কৰা হ'ল।"

"আমি সুখী হৈছোঁ এই বাবেই যে ৰাষ্ট্ৰৰ আগত আহি পৰা দুৰ্য্যোগবোৰৰ বিষয়ে আমাৰ সাৱধান বাণী আৰু ভৱিষ্যত বাণীৰ প্ৰতি অন্ততঃ কৰ্ণপাত কৰা হ'ল—।" আমি কৈছিলোঁ।

আটাইতকৈ শীৰ্ষস্থানীয় কথা হ'ল—প্ৰধান মন্ত্ৰীৰ সৈতে লোৱা মোৰ ঐতিহাসিক সাক্ষাতকাৰটো। ইয়াৰ পিছতে দলৰ হাই কমাণ্ডৰ সদস্যবৃন্দৰো সাক্ষাৎকাৰ লোৱা হয়—যাক লৈ পুস্তিকা ৰচনা কৰা হৈছে। তেওঁলোকৰ লগত হোৱা মুকলিমূৰীয়া আলোচনাত তেওঁলোকে জৰুৰী অৱস্থাৰ ঘোষণাৰ আঁৰত থকা ঘটনাৱলী, ইয়াৰ যুক্তিপূৰ্ণ বিচাৰ আৰু লক্ষ্য দাঙি ধৰে।

কংগ্ৰেছ হাই কমাণ্ডৰ চাৰিজন বিখ্যাত সদস্যৰ মতামতে এই দেশখনৰ নীতিৰ ৰূপ দিয়াত ভালেখিনি সহায় কৰিছে।

26 জুনৰ তাৎপৰ্য্য থকা—বিশ্বক ভাবুকি দিয়া দুষ্কৃতিকাৰী শক্তি সমূহৰ বিৰুদ্ধে দুৰ্গাই সংগ্ৰাম চলোৱা (আৰু সংহাৰ কৰা) চিত্ৰাঙ্কনখন ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়াৰ বাবে বিখ্যাত শিল্পী এম. এফ. হুছেইনৰ ওচৰত মই কৃতজ্ঞ।

—আয়ুব চৈয়দ

বোম্বাই :
21 আগষ্ট, 1975

ইন্দিৰাঃ মই গণতন্ত্ৰৰ হকে

"ভাৰতত গণতন্ত্ৰৰ প্ৰতি চেষ্টা চলাবলৈ আৰু ইয়াক শক্তিশালী কৰিবলৈ মোক বেছি কোনেও এৰে কৰা নাই। সংসদ আৰু গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ ওপৰত মোৰ অশেষ আস্থা আছে।" এটা বিশেষ সাক্ষাৎকাৰত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এইদৰে উক্তি কৰিছিল।

তেওঁৰ অনাড়ম্বৰ চাউথ ব্লক কাৰ্য্যালয়ত প্ৰধান মন্ত্ৰীয়ে এটা আন্তৰিকতাপূৰ্ণ হাঁহিৰে মোক দেখা কৰে। তেওঁক সতেজ দেখা গৈছিল। পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ গণতন্ত্ৰখনৰ ৰাজধানীৰ ওপৰেদি বৈ যোৱা ধুমুহা জাকে তেওঁৰ ওপৰত অকণো ক্লান্তিৰ চাপ পেলোৱা নাই।

তেওঁৰ কাৰ্য্যালয়ৰ পৰিবেশ বিশ্ৰামদায়ক আছিল। গোটেই দিনটোত তেওঁ ভালেমান লোকক দেখা কৰিছিল। ইয়াৰ ভিতৰত সাংবাদিকৰ প্ৰতিনিধি দল এটাও আছিল—য'ত আকৌ ভাঙোনমুখী শক্তিসমূহৰ প্ৰতি সহানুভূতি থকা জনদিয়েকো আছিল।

মনৰ অসাধাৰণ স্থিৰতাৰে তেওঁ মোৰ প্ৰশ্নবোৰৰ উত্তৰ দিছিল। আনকি মোৰ প্ৰবোচনামূলক প্ৰশ্নসমূহে তেওঁক ব্যতিব্যস্ত কৰা নাছিল।

তেওঁৰ উত্তৰসমূহে, নিজা কৰি লোৱা এক শাসন চলাবলৈ আৰু ব্যক্তিপূজাৰ এক মনোভাব বিকশাই তুলিবলৈ তেওঁ উঠিপৰি লগা বুলি কৰা তেওঁৰ নিন্দুকসকলৰ অশুভ ইংগিতবোৰ ধুলিস্যাত কৰিলে।

প্রঃ মহোদয়া, দেশৰ প্ৰতিক্ৰিয়াশীলসকল আৰু তেওঁলোকৰ বিদেশী বন্ধুসকলে কয় যে আপুনি ভাৰতত গণতন্ত্ৰ শেষ কৰি পেলালে।

তেওঁ ক্ষন্তেক ৰ'ল। তাৰ পিছত মোৰ পিছফালে বহু দূৰৈত দৃষ্টি আৱদ্ধ ৰাখি উত্তৰ দিলে ঃ

উঃ ভাৰতত গণতন্ত্ৰৰ প্ৰতি চেষ্টা চলাবলৈ, আৰু ইয়াক শক্তিশালী কৰিবলৈ মোতকৈ আন কোনোবাই কিবা বেছি কৰিছে বুলিতো মই ভাবিব নোৱাৰো। আমাক আজি যিসকল লোকে সমালোচনা কৰিছে বা দোষাৰোপ কৰিছে—সেই সকল লোকেই—ভাৰতত নহয় বিদেশত—1971 চনত য়াহিয়া খানক সমৰ্থন দিছিল। এতিয়া এইসকলে ইয়াক পকা গণতন্ত্ৰ কয় নে নকয় মই নাজানো।

আজি তেওঁলোকে চীনক পূৰ্বাদ্দমে সমৰ্থন কৰিছে। তেওঁলোকে ভাবে নেকি তাত গণতন্ত্ৰ আছে বুলি? সেইকাৰণে অন্যান্য দেশত গণতন্ত্ৰৰ বিষয়ে তেওঁলোকৰ মনোভাৱৰ কথা কোনেও গুৰুত্বৰ ভাবে লব নোৱাৰে। আমি তেওঁলোকৰ পৰা প্ৰমাণ-পত্ৰ নিবিচাৰোঁ।

গণতন্ত্ৰ ঃ দায়িত্ব

মই সদায়েই কৈ আহিছোঁ আৰু এতিয়াও বিশ্বাস কৰোঁ যে গণতন্ত্ৰই হ'ল একমাত্ৰ ব্যৱস্থা যি ৰাইজক বল দিব পাৰে আৰু সেই কাৰণেই আন যি কোনো ব্যৱস্থাৰ ভিতৰতে ই সবাতোকৈ উত্তম। কিন্তু গণতন্ত্ৰই, প্ৰকাশৰ স্বাধীনতা অথবা তেনে কিছুমান ক্ষেত্ৰত অনুমতি দিয়াত চৰকাৰৰ ওপৰত কেতবোৰ দায়িত্ব আনি দিয়ে। কিন্তু চৰকাৰক সুচাৰুৰূপে কাম চলাবলৈ দিয়াত বিৰোধী পক্ষৰো সমানেই দায়িত্ব আছে।

এতিয়া মোৰ ভাব হৈছে যে আমাৰ গণতন্ত্ৰ নিজৰ ৰাস্তাৰ পৰা কিছু ফালৰি কাটি গৈছে। অৰ্থাৎ এমুঠি সংখ্যালঘু লোকে সংখ্যাগৰিষ্ঠক দমন কৰিবলৈ চেষ্টা চলাই আছে। কোনো দেশ অথবা কোনো ভাষাতেই ই গণতন্ত্ৰ হ'ব নোৱাৰে।

প্রঃ ভাৰতত সম্প্ৰতি বহুদলীয় ব্যৱস্থা যি ধৰণে চলি আছে বৰ্ত্তমানৰ সংকটৰ মূলতে সিয়েই যেন অনুমান হয়। ইয়াৰ ফলত দায়িত্বহীন আৰু অস্থিৰ ৰাজনৈতিক প্ৰতিযোগিতা চলিবলৈ পাইছে আৰু ৰাষ্ট্ৰীয় স্বাৰ্থত আঘাত হানিছে। বৰ্ত্তমান অৱস্থাত ইয়াক এইদৰে চলি থাকিবলৈ দিয়াটো আপুনি উচিত বুলি ভাবে নে? নে ইয়াৰ সালসলনি ঘটোৱা আৱশ্যক বুলি ভাবে?

উঃ বিৰোধী পক্ষই এই প্ৰশ্নটো উত্থাপন কৰিছিল যে এই ব্যৱস্থাটোৱে কাম কৰা নাই আৰু এই বিষয়টোৰ ওপৰত বিতৰ্ক চলাব লাগে আৰু জনমত লব লাগে। মই নকওঁ যে বহুদলীয় ব্যৱস্থা ব্যৰ্থ হৈছে, কিবা প্ৰকাৰে কেইজনমান নেতা হতাশাত জৰ্জৰিত হৈ পৰিছে আৰু যি কোনো প্ৰকাৰে ক্ষমতালৈ অহাৰ হাবিয়াস হৈছে।

প্ৰঃ নে ক্ষমতা দখল কৰাৰ?

উঃ ইয়াৰ আৰু আপুনি ব্যৱহাৰ কৰা শব্দৰ মাজত বৰ বেছি পাৰ্থক্য একো নাই, কিন্তু যোৱা বছৰকেইটা ৰাইজৰ বৰ কষ্টত গৈছে। সেয়ে তেওঁলোকে এই পৰিস্থিতিৰ সুযোগ লবলৈ বিচাৰিছিল। ই যে কেৱল ভাৰততহে হৈছে এনে নহয়, বিশ্বৰ প্ৰতিখন দেশতেই হৈছে। দৰাচলতে মুদ্ৰাস্ফীতি ৰোধ কৰিবলৈ সক্ষম হোৱা দেশবোৰৰ ভিতৰত ভাৰতো এখন।

অনুশাসনৰ প্ৰয়োজন

প্ৰঃ এই দলবিলাকক লৈ এতিয়া আমি কি কৰিব লাগে?

উঃ আমি চাব লাগিব কেনেকৈ অধিক দায়িত্ব সহকাৰে ইয়াৰ কামকাজ চলোৱা হয়।

প্ৰঃ ৰাইজক এটা নিৰ্দেশ দিয়াৰ বাবে কিবা কাৰ্য্যকৰী ধৰণৰ ব্যৱস্থাৰ কথা আপুনি ভাবিছে নেকি?

উঃ এইটো এনে এটা বিষয়—যিটো ৰাইজে নিজেই শুদ্ধ কৰি লব জানিব লাগিব। এতিয়া জৰুৰী ব্যৱস্থাই এক নতুন সচেতনতা আৰু নিয়মানুৱৰ্ত্তিতাৰ মনোভাৱ আনি দিলে আৰু এতিয়া ইয়াক যদি আমি বাহাল ৰাখিব পাৰোঁ হক তেতিয়াহলে মই নিশ্চিত যে বিৰোধী দলসমূহো ইয়াৰ দ্বাৰা অনুপ্ৰাণিত হ'ব।

প্ৰঃ আপুনি জৰুৰী অৱস্থাৰ কথা কৈছে নে অনুশাসনৰ কথা কৈছে?

উঃ অনুশাসনৰ কথা কৈছোঁ।

প্ৰঃ আপুনি কৈছে যে এমুঠি মাত্ৰ লোকে অধিকাংশ জনগণৰ গণতান্ত্ৰিক অধিকাৰসমূহ পদদলিত কৰিবলৈ প্ৰয়াস পাইছিল। জৰুৰী অৱস্থা প্ৰত্যাহাৰৰ পিছত এনে ঘটনাত বাধা দিয়াৰ বাবে আপুনি কি প্ৰস্তাৱ হাতত লৈছে?

উঃ তেওঁলোকে সুযোগ লব পৰা পৰিস্থিতিত বাধা দিয়াৰ বাবে আমি চেষ্টা চলাব লাগিব আৰু মই আগতে কোৱাৰ দৰে বোধহয় মই অতি বেছি সহ্য কৰিছিলোঁ; ৰাস্তাত আপোনাৰ অবাধ চলাচলৰ স্বাধীনতা থকা মানে ৰাস্তাৰ সোঁফালে মটৰ চলাই আন কাৰোবাৰ জীৱন বিপদাপন্ন কৰাটোতো নুবুজায়। ৰাজনৈতিক জীৱনতো একে কথা; আপোনাৰ স্বাধীনতা আছে সঁচা কথা, কিন্তু আমাৰ ইয়াত হোৱাৰ দৰে ই আন মানুহৰ স্বাধীনতাত বাধা প্ৰদান কৰিব নালাগিব।

প্ৰঃ এতিয়া প্ৰশ্ন হ'ল—আপুনি কেনে ধৰণৰ ৰাজনৈতিক ব্যৱস্থা উদ্ভাৱনৰ কথা ভাবিছে? আমি দোদুল্যমান অৱস্থাত পৰিছোঁ।

উঃ মোৰ ইচ্ছা আছে গণতান্ত্ৰিক পদ্ধতিৰ বাবেই। কিন্তু মই ভাবোঁ যদি আপুনি আন কোনো দেশক সোধে, গণতন্ত্ৰ তেতিয়াহে বৰ্ত্তি থাকিব যদিহে বিৰোধী দলৰ মাজতো সমানেই দায়িত্বৰ মনোভাৱ থাকে। নিৰ্বাচন অবাধ হোৱা উচিত আৰু তেওঁলোকে জয়লাভ কৰিলে তেওঁ-লোকেই চৰকাৰ গঠন কৰক। কিন্তু চৰকাৰত যিয়েই নাথাকক বা বিৰোধী পক্ষত যিয়েই নাথাকক, নিৰ্বাচন হৈ যোৱাৰ পাছত কামকাজ চলোৱাত নিশ্চয় কিছু কিছু সহযোগিতা থাকিব লাগিব।

এতিয়া আমি বিচৰা হলে, বিৰোধী দলৰ চৰকাৰসমূহৰ কামকাজ চলোৱাত আমি বাধা দিব পাৰিলোহেঁতেন। কিন্তু আমিতো কৰা নাই। ইমান বছৰে তামিলনাডু চৰকাৰ চলি আছে। ইয়াৰ উপৰি মাজৰ সময়ছোৱাত ভালেমান ৰাজ্যত সংযুক্ত চৰকাৰো গঠন হৈছিল। আৰু

যেতিয়া এই চৰকাৰবোৰৰ পতন ঘটিল তেতিয়া আমি চেষ্টা কৰাৰ কাৰণে নহয়, তেওঁলোকৰ নিজৰে আভ্যন্তৰীণ কলহ আৰু অৰিয়াঅৰিৰ বাবেহে পতন হৈছিল।

এতিয়া গুজৰাটতো এনে এখন চৰকাৰ গঠন হৈছে। ইয়াক বিনষ্ট কৰিবলৈ আমি নিশ্চয় একো নকৰোঁ।

প্ৰঃ কিন্তু কিছুমান কথাত যদি তেওঁলোকে কেন্দ্ৰক মানি নচলে?

উঃ এইটো এটা আনুমানিক প্ৰশ্ন। কিয়নো মই ভাবোঁ তেওঁলোকে সহযোগিতা কৰিবই যিহেতু তেওঁলোকে সহযোগিতা নকৰিলে বৰ আহুকাল হ'ব। কেৱল কেন্দ্ৰৰে নহয়, আমি ইমানবিলাক ৰাজ্যৰ বিষয়ে চোৱাচিতা কৰিব লাগে আৰু কেন্দ্ৰই তেওঁলোকক সহায়হে কৰে। কেন্দ্ৰই ৰাজ্য চৰকাৰসমূহক বাধা নিদিয়ে। বৰঞ্চ, আন আন ৰাজ্যৰ লগত কিবা সমস্যা থাকিলে ই তেওঁলোকক সহায়হে কৰে। কেন্দ্ৰত এখন শক্তিশালী চৰকাৰ নথকা হলে দুৰ্বল ৰাজ্যসমূহৰ অস্তিত্বই নাথাকিলেহেঁতেন।

প্ৰঃ বৰ্তমান গুজৰাটৰ মনোভাৱ হ'ল কেন্দ্ৰৰ নিৰ্দেশাৱলী পালন নকৰাটো।

উঃ এই কথা মই নাজানো। মই ভাবোঁ যে জৰুৰী অৱস্থা বা তেনে ধৰণৰ কথা লৈ তেওঁলোকে প্ৰতিবাদ কৰিব খোজে. কিন্তু মই নাভাবোঁ যে....... ।

প্ৰঃ আপুনি এই কথা জানে নে যে গুজৰাট চৰকাৰত জনসঙ্ঘ দলৰ এনে কিছুমান সদস্য আছে যাৰ আৰ এছ এছৰ লগত থকা সম্পৰ্কৰ কথা গোপন নহয়?

উঃ এই কথা যদি সঁচা মই নাজানো, কিন্তু সাধাৰণতে জনসঙ্ঘই এই কথাত লাগে যে যেতিয়াই ই চৰকাৰৰ অংশ হৈ পৰে তেতিয়াই ই আৰ এছ এছৰ লগত থাকিব।

বিভিন্ন সংস্থাৰ ওপৰত নিষেধাজ্ঞা

আৰ এছ এছ আৰু আন আন চৰমপন্থী সংস্থা সমূহৰ ওপৰত নিষেধাজ্ঞা জাৰী কৰাৰ কথা আগদিনা সন্ধিয়া ঘোষণা কৰা হয়। পুৱাৰ বাতৰি কাকতবোৰে ডাঙৰ ডাঙৰ হৰফত এই কথা ছপায়। এই সাহসী অথচ বহু প্ৰতীক্ষিত ব্যৱস্থা গ্ৰহণৰ বাবে মই প্ৰধান মন্ত্ৰীক অভিনন্দিত কৰিছিলোঁ। মই ভাবিলোঁ নিজৰ এটা মহান সাফল্যৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ তেওঁ নিশ্চয় সুখী হ'ব।

প্ৰঃ আৰ এছ এছ তথা অন্যান্য দক্ষিণ/চৰমপন্থী সকল আৰু দুঃসাহসী বাম পন্থীসকলৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাত ৰাইজে বিপুলভাবে আদৰণি জনাইছে, কিন্তু জনসঙ্ঘ আৰু এছ এছৰ পৰাই উৎপত্তি হৈছে আৰু ইয়াৰ নেতাসকলো জনসঙ্ঘৰ সভ্য। ৰাজনৈতিক মঞ্চৰ পৰা এই সকলক আঁতৰ কৰাটো সম্ভৱপৰ হ'ব নে?

উঃ আৰ এছ এছত থকা যি কোনো লোক আৰু যি সংস্থাতেই নাথাকক তেওঁ নিশ্চয় ইয়াৰ গণ্ডীৰ ভিতৰতেই পৰিব। কোনোবাই যদি সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰতিকূলে কাম কৰে তেন্তে আমি সেই বিষয়ে চিন্তা কৰি চাম।

প্ৰঃ চৰকাৰী চাকৰি আৰু অন্যান্য ৰাজহুৱা খণ্ডত বহু সংখ্যক আৰ এছ এছৰ অনুপ্ৰৱেশ ঘটাৰ কথাটো সঁচা নেকি?

উঃ কিছু পৰিমাণে সঁচা আৰু আমি এই বিষয়ে চকু দিব লাগিব।

প্ৰঃ তেওঁলোকক বিৰত কৰিবলৈ আপুনি ব্যৱস্থা লব নেকি?

উঃ শুনক, সঁচা কথা কবলৈ গলে বহু দিনৰ আগতেই ব্যৱস্থা লব লাগিছিল, যিহেতু চৰকাৰী চাকৰিয়ালে ৰাজনীতি কৰা উচিত নহয়। কিন্তু আৰ এছ এছে ৰাজনৈতিক কামকাজত ভাগ লৈছে আৰু আনকি কোনো কোনো ৰাজ্যত সংযুক্ত চৰকাৰ থকাৰ সময়ত তেওঁলোকে চৰকাৰতো অংশ লৈছে।

আমোলাতন্ত্ৰৰ ভূমিকা

প্ৰঃ আপুনি ঘোষণা কৰা অৰ্থনৈতিক কাৰ্য্যসূচীৰ প্ৰতি সমাজৰ সকলো অংশৰ লোকেই ব্যাপক ভাবে আদৰণি জনাইছে। অৰ্থনৈতিক অগ্ৰগতিৰ বাবে চলোৱা আমাৰ সংগ্ৰামত ই এটা মাইলৰ খুটি হিচাপে পৰিগণিত হ'ব। প্ৰশ্ন হ'ল—আপোনাৰ এই মহান সপোনটো বাস্তৱত পৰিণত কৰিবৰ কাৰণে বৰ্ত্তমানৰ প্ৰশাসনিক যন্ত্ৰটো যথেষ্ট বুলি ভাবে নে? সেই কাৰণে এক প্ৰতিশ্ৰুত-আমোলাতন্ত্ৰ আৱশ্যক নেকি? যদি হয়, তেন্তে নতুন দৃষ্টিভংগীক স্বীকৃতি দিব পৰাকৈ অন্ততঃ আমোলাতন্ত্ৰত থকা নবীনসকলক পুনৰ সচেতন কৰিবলৈ আপুনি কিবা আঁচনি হাতত লৈছে নেকি?

উঃ সাধাৰণতে নবীন লোকসকল ভালেই। কেতিয়াবা তেওঁলোকে কিছুমান শক্তিৰ লগত যোগাযোগ ৰোৱাৰ পিছততে সেই অভ্যাসবোৰ লয়।

এই 'প্ৰতিশ্ৰুত' শব্দটোৰ ভুল ব্যাখ্যা দাঙি ধৰা হৈছে আৰু ইয়াৰ অপপ্ৰয়োগ কৰা হৈছে। আমি যিটো বুজিছিলোঁ—আমাৰ ব্যৱস্থাত—আৰু আপুনি জানেই আমি বৃটিছ ব্যৱস্থাকে ঘাইকৈ গ্ৰহণ কৰিছোঁ—আমোলাতন্ত্ৰই সমসাময়িক চৰকাৰৰ নিৰ্দ্দেশাৱলী পালন কৰি যাব লাগে। সংসদে অনুমোদন জনোৱা নীতিকে চৰকাৰে গ্ৰহণ কৰে, সেয়ে সেইমতে মন্ত্ৰীসকলে যি কয় তেওঁলোকে তাকেই কৰিব লাগে। যেতিয়া আমি 'প্ৰতিশ্ৰুত' শব্দটো ব্যৱহাৰ কৰিছিলোঁ তেতিয়া ইয়াক ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হৈছিল—সেইটো হ'ল তেওঁলোক ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি প্ৰতিশ্ৰুত হ'ব লাগিব।

আৰু আচলতে এনে কিছুমান নীতি আছে, উদাহৰণ স্বৰূপে—আৰ এছ এছ আৰু নক্সালাইটৰ নীতি যিবিলাক আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপন্থী নহয়। সেইবিলাকে খেলিমেলিৰ সৃষ্টি কৰে আৰু দেশখনক অৰাজকতাৰ মাজলৈ ঠেলি দিয়ে, যিটো সময়ত নেকি দেশৰ আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল সুস্থিৰতা আৰু শক্তি আহৰণ কৰাটো। সেয়ে, ধৰ্মৰ নামেতেই হওক অথবা আন কিহবাৰ নামতেই হওক ৰাইজৰ মাজত ভাঙোন আনিব পৰা যি কোনো কাৰণেই হ'ল দুৰ্বলকাৰক।

প্ৰঃ আপুনি ঘোষণা কৰা নতুন অৰ্থনৈতিক কাৰ্য্যসূচীসমূহ কোনে ৰূপায়ণ কৰিব ? বিষয়াই নে...... ?

উঃ ঠিকেই, এইটো এটা যুটীয়া প্ৰচেষ্টা। চৰকাৰী বিষয়া আৰু বিভিন্ন ৰাজ্য চৰকাৰসমূহৰ ওপৰত ভালেখিনি দায়িত্ব আছে ; আমি কৈ আহিছোঁ যে আমাৰ দলৰ নীতিত বিশ্বাস কৰা সকলো নাগৰিক বা অন্যান্য প্ৰবীণ নাগৰিক, যুৱক আদিৰ সৈতে তেওঁলোকে সহযোগিতা কৰিব লাগিব।

আমি ভাবোঁ—যি কোনো কাৰ্য্যসূচীতে বাইজৰ জড়িতকৰণ অতি আৱশ্যকীয় বিষয়। উদাহৰণ স্বৰূপে কৰ্মীসকলে এনেদৰে জড়িত হৈ পৰাৰ মনোভাৱ নোলোৱালৈকে উৎপাদন বৃদ্ধি পাব নোৱাৰে। সেয়ে প্ৰতিটো পৰ্য্যায়তে প্ৰতিদল ৰাইজক আমাৰ কাৰ্য্যসূচী সফল কৰি তোলাত জড়িত কৰিব লাগিব।

প্ৰঃ আপুনি সঘনে কৈ অহাৰ দৰে মই আকৌ এবাৰ কওঁ যে সমাজবাদৰ লক্ষ্য লোৱা হৈছে আৰু এতিয়া আমি সুখী হ'ব পাৰিছোঁ যে দৃষ্টি এতিয়া ফটফটীয়া হৈ পৰিল। দেশখনলৈ আপুনি আনিব বিচৰা সমাজবাদৰ প্ৰক্ৰিয়াত আমোলাতন্ত্ৰও জড়িত হৈ পৰাটো আপুনি উচিত বুলি নাভাবেনে ?

উঃ কোনো সুযোগত পৰি নাইবা এটা বিশেষ শব্দ ভাল পোৱাৰ বাবে আমি এই নীতি গ্ৰহণ কৰা নাই। দৰিদ্ৰতা আৰু অৰ্থনৈতিক অনগ্ৰসৰতাৰ নিচিনা সাম্প্ৰতিক অৱস্থাত, বিভিন্ন জাতি, ধৰ্ম আদিৰ লোকৰ মাজত অৰ্থনৈতিক আৰু সামাজিক ভাৱে অধিক সমতা স্থাপন কৰাটো অতি আৱশ্যকীয় কথা বুলি আমি ভাবোঁ। কেৱল মাত্ৰ ইয়েই সমাজবাদ আনিব পাৰে।

প্ৰঃ আমাৰ সমাজবাদৰ ভাৱধাৰা ?

উঃ হয়, আমাৰ ভাৱধাৰা। এটা নীতিৰ বাস্তৱ ৰূপ দিবলৈ যোৱাৰ আগতে নীতিটোৰ বিষয়ে ভালদৰে বুজি লব লাগিব।

দলৰ ভূমিকা

প্ৰঃ নতুন অৰ্থনৈতিক কাৰ্য্যসূচীৰ ৰূপায়ণত মৌলিক পৰ্য্যায়ৰ পৰাই কংগ্ৰেছ দলক জড়িত কৰাৰ কথা আপুনি ভাবিছেনেকি ?

উঃ আমাৰ প্ৰচেষ্টা সেইটোৱেই।

প্ৰঃ মূল পৰ্য্যায়ৰ কৰ্মী সকলক অৱগত কৰোৱাৰ কাৰণে কংগ্ৰেছ দলে আকৌ শিবিৰ পাতিব নেকি ?

উঃ এনে শিবিৰৰ আৱশ্যক আছে নেকি ? অথবা আন যি কোনো ব্যৱস্থাৰ প্ৰয়োজন আছে নেকি মই নাজানো, কিয়নো আমি মুখ্যমন্ত্ৰী সকলৰ লগত এই সকলো বিষয়ে আলোচনা কৰিছোহঁক। এতিয়া তেওঁলোকে বিভিন্ন পৰ্য্যায়ত ইয়াক আৰম্ভ কৰা উচিত আৰু আমাৰো কেন্দ্ৰত এনে এটা ব্যৱস্থা থকা উচিত যি এই কাৰ্যসূচীৰ ৰূপায়ণৰ দিশত সতৰ্ক দৃষ্টি ৰাখিব।

প্ৰঃ নিম্ন পৰ্য্যায়ত দলৰ কৰ্মী সকলে এই সতৰ্কতা অব্যাহত ৰাখিব পাৰিবনে ?

উঃ মই ভাবোঁ পাৰিব লাগিব।

প্ৰঃ জিলা পৰ্য্যায়ৰ বিষয়াসকলৰ লগত সমন্বয় ৰাখি এইটো কৰা উচিত নেকি, যিহেতু, অৱশেষত এই কাৰ্য্যসূচী জিলা পৰ্য্যায়তে ৰূপায়ণ কৰিব লাগিব যেতিয়া ?

উঃ মই কৈ অহাৰ দৰে, দল ইয়াত জড়িত হৈ পৰাটো আমি বিচাৰোঁ, কিন্তু, ইয়াক যথা সম্ভৱ এটা বহল ভেটি দিবলৈ পালে আমি ভাল পাম। যদি আন কোনো নাগৰিক বা যুৱকে এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবলৈ বিচাৰে আৰু ইয়াক বিশ্বাস কৰে তেন্তে তেনে লোকৰ সহায় লোৱা হ'ব ; যেনেকৈ উৎপাদনৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ বিচৰা সকলো ট্ৰেড ইউনিয়নৰে আমি সহায় লওঁহক।

প্ৰঃ জৰুৰীকালীন অৱস্থাৰ পিছৰ সময়ছোৱাৰ অৰ্থনৈতিক নীতিসমূহৰ সফলতা নিৰ্ভৰ কৰিছে ৰাজ্যসমূহৰ ওপৰত। এই ক্ষেত্ৰত মুখ্য মন্ত্ৰীসকলক নিৰ্দিষ্ট সময় সীমা বান্ধি দিবলৈ আপুনি বিচাৰে নেকি ?

উঃ বহু সময়ত আমি সময়সাপেক্ষ কাৰ্য্যসূচীৰ কথা ঘোষণা কৰিছোহঁক, আমি জানো এই সময় সীমা সদায় ৰক্ষা কৰা নহয়। সেয়ে,

সময় সীমা বান্ধি দিলেই কিবা বেলেগ এটা হ'ব বুলি মই নাভাবোঁ। কিন্তু আমি বৰ সতৰ্কতাৰে এই কথাৰ প্ৰতি চকু দিব লাগিব যাতে কাৰ্য্যসূচীসমূহৰ কামকাজ চলাই থকা হয়। জনসাধাৰণক আমাৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰিবলৈকো কৈছোঁ যাতে কোনোবা ৰাজ্যত কামকাজত কিবা আঁৰ লাগিলে আমি ইয়াৰ ওপৰত ব্যৱস্থা লব পাৰোঁ।

প্ৰঃ মই ভাবোঁ, নাৰোৰা শিবিৰত অনাৰ দৰে সময় সীমা বান্ধি দিলে জৰুৰী মনোভাব এটা আহি পৰে।

উঃ নিশ্চয়, তেওঁলোকে যিমান লাগে সিমান সময় নাপায়। মানে, তেওঁলোকে সকলো কাম খৰতকীয়া গতিৰে কৰিব লাগিব।

কৰ্মীসকলৰ ভূমিকা

প্ৰঃ কংগ্ৰেছৰ একাংশই ভাবে যে জৰুৰী অৱস্থাৰ সময়ছোৱাত তলাবন্ধ আৰু ধৰ্ম্মঘটৰ ক্ষেত্ৰত এক বিৰতি ব্যৱস্থা আৰোপ কৰিব লাগে। "উদ্যোগত কৰ্মীসকলৰ অংশ গ্ৰহণ।" বাবে লোৱা আপোনাৰ নতুন আঁচনিত এই বিষয়টোৰ প্ৰতি চকু দিয়া হ'বনে?

উঃ আমি ট্ৰেড ইউনিয়নসমূহৰ লগত কথাবতৰা চলাই আছোঁ। তেওঁলোকে কয় যে তেওঁলোকে নিজে বিভুমা' প্ৰণালী যুগুত কৰিবলৈ ভাল পাব। সেইটো বেছি ভাল কথা। তেতিয়া হলে বিৰতি ব্যৱস্থা ঘোষণা কৰিব নালাগে।

প্ৰঃ ট্ৰেড ইউনিয়নসমূহৰ মাজত এটা ঐক্যমত হলে বৰ ভাল কথা হয়।

উঃ হয়; —তিনিখন ট্ৰেড ইউনিয়নে আজি পুনৰ মোক দেখা কৰে আৰু এইদৰে আশ্বাস দিয়ে যে এই আই. এন. টি. ইউ. চি., এ. আই. টি. ইউ. চি. আৰু এইচ. এম. এচ. উৎপাদন বৃদ্ধি আদিৰ ক্ষেত্ৰত তেওঁক সকলো প্ৰকাৰে সহায় কৰিব। তেওঁলোকে মাত্ৰ এইটো বিচাৰিছে—যে এনে এটা ব্যৱস্থা থাকিব লাগে যাতে কিবা ওজৰ-আপত্তি থাকিলে তাক তত্তালিকে নিষ্পত্তি কৰিব পৰা যায়। ব্যৱস্থাপনাই ইয়াৰ সুযোগ লোৱা উচিত নহ'ব। কৰ্মীসকলে ধৰ্মঘট নকৰে

-বুলি কথা দিছে বাবেই যে ব্যৱস্থাপনাই কৰ্মীসকলৰ স্বাৰ্থৰ পৰিপন্থীৰ কিবা কৰা উচিত এনে নহয়। সেইবাবে ই সংশ্লিষ্ট সকলোৰে এক সমবায় প্ৰচেষ্টা হোৱা উচিত।

প্ৰঃ মই শুনিছোঁ ব্যৱস্থাপনাত কৰ্মীসকলৰ প্ৰতিনিধি ৰখাৰ বাবে পৰামৰ্শ দিয়া হৈছে?

উঃ হয়, সেই কথা আমি আগতেই কৈছোঁ। কিন্তু আচল সমস্যাটো হ'ল একাধিক ইউনিয়ন থকাটো। এতিয়া কেনেকৈ অধিক সহযোগিতা লাভ কৰিব পাৰি সেই কথা চাব লাগিব। মই ভাবোঁ উৎপাদনমূলক কাৰ্য্যসূচীত ইয়াক গ্ৰহণ কৰাটো অধিক জৰুৰী।

প্ৰঃ ট্ৰেড ইউনিয়ন সমূহৰ সহযোগিতাৰ দ্বাৰা ঔদ্যোগিক শান্তি বজাই ৰাখিব পৰা যাব বুলি আপুনি ভাবেনেকি?

উঃ নিশ্চয় ভাবোঁ।

প্ৰঃ সৰস্বৰা টেড ইউনিয়নসমূহৰ বিষয়ে কি ভাবে?

উঃ হয়, ভিতৰতে কিছুমান আছে সহযোগিতা নকৰা।

প্ৰঃ তেওঁলোকক সৈমান কৰাবলৈ কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

উঃ কেনেকৈ চলে চাওঁচোন বাৰু।

প্ৰঃ মনোভাবৰ পৰিৱৰ্ত্তন হৈছে নেকি?

উঃ কৰ্মীসকলৰ মনোভাবৰ পৰিৱৰ্ত্তনেই হ'ল ইয়াৰ পৰা লাভ কৰিব পৰা ফলাফল। হ'জাৰ হওক, ইউনিয়নবোৰ কৰ্মীসকলক লৈয়ে গঠিত আৰু আজি দৃষ্টিভংগীৰ পৰিৱৰ্ত্তন হৈছে।

প্ৰঃ কোনো কোনো লোকে সোধে বিৰোধী নেতাসকলক গ্ৰেপ্তাৰ নকৰাকৈ আৰু জৰুৰী অৱস্থা ঘোষণা নকৰাকৈ নতুন ব্যৱস্থাৱলী লব পৰা নগ'লহেঁতেননে?

উঃ পৰা গ'লহেঁতেন। আপুনি চাওক, সকলোবোৰ বিৰোধী দলে আমাৰ গণতান্ত্ৰিক পদ্ধতিক আওকাণ কৰি ক্ষমতা দখল কৰাৰ বাবে এবিধ কাৰ্য্যসূচী হাতত লৈছিল। ইয়াত অহিংসাত বিশ্বাস কৰা লোকো আছিল আৰু ইয়াত বিশ্বাস নকৰা লোকো আছিল। কোনো

ৰূপ আহুকালৰ পৰা হাত সাৰিবৰ কাৰণেই এনে কৰিবলগা হ'ল কিয়নো ইয়াকে নহলে তেওঁলোকে হিংসাক প্ৰশ্ৰয় দিলেহেঁতেন। তাৰ ফলত ভাল পৰিস্থিতিৰ সৃষ্টি নহ'লহেঁতেন। সেয়ে, ঘাইকৈ শান্তি ৰক্ষাৰ বাবেই এই ব্যৱস্থা বেছি প্ৰয়োজনীয় আছিল।

প্ৰঃ বহু দিনৰ বাবে ৰখা হ'বনেকি ?

উঃ ওহোঁ, মই একো কব নোৱাৰোঁ।

বিদেশৰ লগত সংযোগ

প্ৰঃ স্বদেশ আৰু বিদেশৰ প্ৰতিক্ৰিয়াশীলসকলৰ মাজত থকা সংযোগ ছেদ কৰিবলৈ আপুনি কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

উঃ মই ভাবোঁ যে কোনো দেশহিতৈষী লোকৰে তেনে সংযোগ নাথাকে আৰু কাৰোবাৰ যদি আছে তাক ছেদ কৰিবৰ কাৰণে আমি পাৰ্য্যমানে প্ৰচেষ্টা চলাম।

প্ৰঃ একাংশ বাতৰি কাকতে আপুনি কোৱাৰ দৰে, প্ৰাক্ জৰুৰী অৱস্থাৰ দিনবিলাকৰ সঁচা কথা অথবা ঘটনাবোৰ ঢাকি ৰাখিবলৈ চেষ্টা চলাইছিল। এওঁলোকক নিয়ন্ত্ৰিত কৰাৰ বাবে চেন্সৰছিপেই একমাত্ৰ ব্যৱস্থা নেকি ?

উঃ নহয়, বৰ্ত্তমান অৱস্থাত আমি চেন্সৰছিপ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হ'ল। কিন্তু মই ভাবোঁ, আমি কিছুমান আচৰণ বিধি যুগুত কৰিব লাগিব আৰু আমি চাব লাগিব যাতে বাইজে সেইবিলাক মানি চলে।

প্ৰঃ হয়, আমি জানো যে গণতন্ত্ৰ আৰু এক অবাধ সংবাদপত্ৰত আপোনাৰ একান্ত আস্থা আছে। দৰাচলতে এনে এক অবাধ সংবাদপত্ৰত বিশ্বাস কৰিবলৈ আমি আপোনাৰ পৰাই শিকিলোঁ। মই জানো যে কিছুমান প্ৰেছ-প্ৰতিনিধি দলে ইতিমধ্যে আপোনাক লগ ধৰিছে আৰু এইটো আশা কৰিছে যে এনে এটা সূত্ৰ উদ্ভাৱন কৰা যাওক য'ত সংবাদপত্ৰ দায়িত্বশীল হৈ পৰে আৰু চৰকাৰে সংবাদপত্ৰৰ দায়িত্ব বহন কৰে।

উঃ প্ৰেছে এই কথাটো নিজেই বিবেচনা কৰি চাব লাগিব। তেওঁলোকে কৈছে যে কেইখনমান কাগজেহে এই কাম কৰিছে। বাকী

'বিলাকব ওপবত শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে। মই কবলৈ গলে 'কিছুমান কাগজে যে সংবাদ সংস্থাৰ প্ৰতি সুনাম অৰ্জন কবা নাই সেই কথাটো তেওঁলোকে উপলব্ধি কবা উচিত বুলি মই ভাবোঁ।

সফলতাৰ ৰহস্য

প্ৰঃ কিন্তু এই পৰিস্থিতিৰ বিষয়ে জনা খবৰ কাগজবোৰৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব নালাগে।

উঃ ওঁ, কিবা এটা কবা হ'ব বুলি মই আশা কৰোঁ।

প্ৰঃ এতিয়া ব্যক্তিগত ধৰণৰ প্ৰশ্ন এটা সুধিব খুজিছোঁ। আপোনাৰ অফুৰন্ত সাহস, দৃঢ়সংকল্প আৰু সহনশীল গুণৰ বিষয়ে জানিবলৈ দেশখনে কৌতূহলেৰে বাট চাই আছে। ইয়াৰ ৰহস্যটোনো কি আমি জানিবলৈ বিচাৰোঁ।

উঃ মই আচৰিত হৈছোঁ, মোৰ গোপন বা ৰহস্য বুলিবলৈ একোৱেই নাই। সকলোৱে পৰা মোৰ জীৱনটো এখন খোলা কিতাপৰ নিচিনাই। যেতিয়া আপুনি কিবা এটা কৰে সেইটো যদি শুদ্ধ বুলি আপুনি বিশ্বাস কৰে আৰু যিটো আপোনাৰ নিজৰ বাবে নহয় বৃহত্তৰ স্বাৰ্থৰ বাবে কৰা বুলি বিশ্বাস কৰে তেন্তে মই ভাবোঁ ইয়েই আপোনাক শক্তি দিব।

প্ৰঃ আপুনি কৈছে যে আপুনি ৰাইজৰ পৰা বল পায়। যেতিয়াই আপুনি ৰাইজক লগ পায় তেতিয়াই তেওঁলোকে আপোনাক বল দিয়ে। আপুনি এইদৰেই তেওঁলোকক লগ ধৰি থাকিবনে?

উঃ নিশ্চয়।

সাক্ষাৎকাৰৰ গোটেই সময়ছোৱাতে তেওঁ মৃদুভাবে অথচ দৃঢ়তাৰে প্ৰশ্নৰ উত্তৰ দিছিল। কোনো সময়তে তেওঁৰ মাত ডাঙৰ হোৱা নাছিল; আনকি কেতিয়াবা তেওঁৰ মাতটো শুনাই নগৈছিল।

তেওঁৰ মুখমণ্ডলত বিমল পৰিতৃপ্তি—এক সাফল্যৰ প্ৰতিচ্ছবি উদ্ভাসিত হৈছিল।

ডি. কে. বৰুৱা ঃ গুণগত পৰিৱৰ্ত্তন

কংগ্ৰেছ সভাপতি দেবকান্ত বৰুৱাৰ বিশ্বাস যে প্ৰধান মন্ত্ৰীৰ নেতৃত্বই ৰাজনীতিত এটা গুণগত পৰিৱৰ্ত্তন আনিছে। সেয়ে, এতিয়াৰে পৰা ৰাজহুৱা জীৱনৰ কাৰ্য্যপদ্ধতি নতুন ৰূপত অধিক অনুশাসনেৰে ৰচিত হ'ব।

দিনে 18 ঘণ্টা কাম কৰা শ্ৰীবৰুৱাই অবিশ্ৰান্ত হৈ থাকিব পাৰে। তেওঁৰ মৃদু অথচ অৰ্থপূৰ্ণ হাঁহিটি অন্তৰপৰশা হৈয়ে আছে।

টোগলক ৰোডত থকা তেওঁৰ বাসভৱনটো দেখা কৰিবলৈ অহা মানুহেৰে ঠাহ খাই থাকে। বিছেপশ্যন অফিচ, ব্যক্তিগত অফিচ, থকা কোঠা, শোৱা কোঠা, খোৱা কোঠা আৰু বাৰান্দাবিলাক মুখ্য মন্ত্ৰী, কেবিনেট মন্ত্ৰী, সংসদী সদস্য, বিধান সভাৰ সদস্যৰ পৰা আৰম্ভ কৰি জিলা আৰু তালুক পৰ্য্যায়ৰ কৰ্মীৰে ভৰি থাকে।

তেওঁক দেখা কৰিবলৈ অহা কোনোবাই বিশেষভাৱে সাক্ষাৎ কৰিবলৈ বিচাৰিলে তেওঁক শোৱা কোঠালৈ লৈ যোৱা হয়—যিটো কোঠা শ্ৰীমতী বৰুৱাই প্ৰায়ে এৰি দিবলগীয়া হয়। দেখা কৰিবলৈ অহা লোকক বহুৱাবৰ কাৰণে বৰ্ননিত এখন ডাঙৰ চামিয়ানা তৰা আছে।

কংগ্ৰেছ সভাপতিয়ে গধূলি ছয়বজাত মোক সাক্ষাৎকাৰ দিবলৈ মান্তি হ'ল। কিন্তু 15 মিনিটৰ পিছতেই এটা টেলিফোন আহিল আৰু প্ৰধান মন্ত্ৰীয়ে কিবা জৰুৰী কথাত তেওঁক দেখা কৰিবলৈ বিচাৰিলে। তেতিয়া আমি চাৰে সাত বজাত লগ হ'বলৈ ঠিক কৰিলোঁ; কিন্তু 7 বাজি 35 মিনিটত ওখ আৰু হাঁহি মুখৰ সিদ্ধাৰ্থশংকৰ ৰায় আহি গুৰুত্বপূৰ্ণ আলোচনাৰ বাবে তেওঁক কোনোবা অজান ঠাইলৈ লৈ গ'ল।

শেহত যেনিবা নিশা দহ বজাত আমি এক গুৰুত্বপূৰ্ণ প্ৰশ্নোত্তৰ অধিবেশনৰ বাবে বহিবগৈ পাৰিলোঁ।

মই তেওঁক সুধিলোঁ, "আপোনাৰ ভাগৰ লগা নাইনে ?"

কোঠাটো হাঁহিৰ শব্দেৰে ভৰি পৰিল : "মই মোৰ দিনটো আৰম্ভ কৰিছোঁহে।" জৰুৰী অৱস্থাৰ লগতে কামৰ বোজাও বাঢ়ি গৈছে।

প্ৰঃ এটা নতুন পৰিস্থিতিৰ উদ্ভৱ হৈছে আৰু শাসনাধীন দলৰ প্ৰধান হিচাপে আপোনাৰ দায়িত্ব বাঢ়ি গৈছে। জৰুৰী অৱস্থা ঘোষণাৰ অন্তৰালত থকা লক্ষ্য সমূহত উপনীত হোৱাৰ বাবে আপুনি কি ব্যৱস্থা হাতত লবলৈ দিহা কৰিছে ?

শ্ৰীবৰুৱাই ধৰ্ম, দৰ্শন, ৰাজনীতি, অৰ্থনীতি আৰু তেলৰ কিতাপেৰে ঠাহখাই থকা আলমাৰী বিলাকৰ পিনে চালে আৰু পিছত বৰ চাঙত দৃষ্টি নিবদ্ধ কৰি কবলৈ আৰম্ভ কৰিলে :

জৰুৰী অৱস্থাই এটা নতুন পৰিস্থিতি আনি দিলে। ই এই দেশখনৰ ৰাজনীতিত এটা গুণগত পৰিৱৰ্ত্তন সাধন কৰিলে। এতিয়ালৈকে আমি, সামাজিক ন্যায়ৰ ওপৰত ভেঁটি কৰি সামাজিক পৰিৱৰ্ত্তন সাধনৰ বাবে ভালেমান অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ ৰূপায়ণ কৰিবলৈ চেষ্টা চলাই আহিছোঁহঁক।

স্থিতাৱস্থা বাহাল ৰখাত আগ্ৰহী আমোলাতন্ত্ৰই ইয়াত বাধা দিছিল. অৱশ্যে তাৰে কোনো কোনো অংশই সহায়ো কৰিছে।

দ্বিতীয়তে, আমাৰ নিজৰ দলৰ ভিতৰতো কোনো কোনো লোক হতাশ হৈ পৰিছিল ; কিয়নো ইতিপূৰ্বে গ্ৰহণ কৰা দলৰ কাৰ্য্যসূচী আৰু নীতিসমূহ ৰূপায়ণ কৰা হোৱা নাই।

তৃতীয়তে, বিৰোধী পক্ষই বিধান মণ্ডলীৰ বাহিৰে ভিতৰে আহুকালৰ সৃষ্টি কৰিছিল। যোৱা দুবছৰত, সকলো পৰ্য্যায়তে আইন শৃঙ্খলাজনক পৰিস্থিতিৰ প্ৰতি চকু দিব লগা হোৱাত আমি কিমানখিনিয়েইবা কৰিবলগা হোৱা নাই।

এই সকলোবোৰে দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এতিয়া আমাক এক

সুস্থিৰতাৰ সময়, এক নিয়মানুৱৰ্ত্তিতাৰ সময়ৰ আৰশ্যক যাক আচাৰ্য্য বিনোৱা ভাবেই "অনুশাসন পৰ্ব" বুলি বৰ্ণনা কৰিছে। এই বিষয়ে প্ৰধান মন্ত্ৰীয়ে উচিত ভাবে কৈছে, —"অনুশাসনৰ অবিহনে এইখন দেশত একোৱেই কৰিব নোৱাৰি।"

অনুশাসনৰ এই মনোভাবেবে এতিয়া অৰ্থনৈতিক প্ৰস্তাৱসমূহৰ বাস্তৱ ৰূপায়ণ কৰাটো আমাৰ বাবে সহজ হৈ পৰিব।

সামাজিক পৰিৱৰ্ত্তন

কুৰিদফীয়া কাৰ্য্যসূচীয়েই শেষ কথা নহয়, ই হ'ল এক অব্যাহত প্ৰক্ৰিয়া মাথোন। সামাজিক ন্যায়ৰ ওপৰত ভেঁটি কৰি মৌলিক সামাজিক পৰিৱৰ্ত্তন সাধন কৰিব পৰাকৈ আমি সমৰ্থ নোহোৱালৈকে আৰু অধিক বাধা নিষেধ আৰোপ কৰা হ'ব আৰু অধিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

হয়তো আৰু অলপ বেছি গতিশীলতা আৰু অধিক সচেতনতাই এই উদ্দেশ্য সাধন কৰিবলৈ সমৰ্থ হ'ব।

প্ৰঃ কিন্তু, কংগ্ৰেছ দলটো পৰিৱৰ্ত্তনৰ আহিলা হ'ব পাৰিবনে?

উঃ মৌলিক ভাবে কংগ্ৰেছ সংস্থাটো আৰম্ভণিৰ পৰাই পৰিৱৰ্ত্তনৰ আহিলা হৈ আহিছে। উদ্দেশ্যধৰ্মী পৰিস্থিতি সহায়ক হৈ নপৰাত, অথবা আমাৰ সচেতনতা ম্লান হৈ অহাত কিম্বা আমি নিজে দুৰ্বল হৈ পৰাতহে কংগ্ৰেছ আহুকালৰ সম্মুখীন হ'বলগীয়া হৈছে।

অলপমান নিয়াৰি কৰিলে আৰু নতুন পুৰুষটোক ইয়াত জড়িত কৰিলেই কংগ্ৰেছক সামাজিক পৰিৱৰ্ত্তনৰ শক্তিশালী আহিলালৈ ৰূপান্তৰিত কৰাটো সহজ হ'ব।

প্ৰঃ প্ৰধান মন্ত্ৰীৰ মতে কংগ্ৰেছ স্থবিৰ হৈ পৰিছে আৰু ইয়াক কাৰ্য্যক্ষম কৰি তুলিবলৈ আৰু নিয়াৰি কৰিবলৈ কিবা অলপ কৰিবই লাগিব। আপুনি সেইদৰেই ভাবেনে?

উঃ কংগ্ৰেছৰ নিচিনা এটা ডাঙৰ সংস্থাত আমাৰ শক্তি আৰু দুৰ্বলতা থাকিবই। আমাৰ বল হ'ল এয়েই যে আন আন দলতকৈ

আমি অধিক সহজেই জনতাক জড়িত কৰিব পাৰোহঁক, কিয়নো আমি প্ৰকৃততেই জনতাৰ সংগঠিত শক্তিক প্ৰতিনিধিত্ব কৰোঁ। আমাৰ দুৰ্বলতা এয়ে যে আমাৰ সংস্থাটো বৰ ডাঙৰ,—ভীষণ ডাঙৰ। সেয়ে কংগ্ৰেছক নিয়াৰি কৰিব লাগিব। স্থবিৰতা আহে উদ্দেশ্যহীনতাৰ পৰা। যদি আমাৰ এটা উদ্দেশ্যৰ মনোভাব থাকে আৰু কিছুমান কাম কৰাৰ স্থিৰ লক্ষ্য থাকে তেতিয়া হলেই এই সংস্থাই আমাৰ সন্মুখত দেখা দিয়া প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰিব।

দলৰ ভূমিকা

প্ৰঃ কৃৰিদক্ষীয়া অৰ্থনৈতিক কাৰ্য্যসূচী ৰূপায়ণত দলে চৰকাৰক কিদৰে সহায় কৰিব ?

উঃ এতিয়ালৈকে আমি নিম্ন পৰ্য্যায়ত সহযোগিতা কৰাৰ বৰ কাৰ্য্যকৰী ধৰণৰ উপায় বিচাৰি উলিয়াবগৈ পৰা নাই। ৰাষ্ট্ৰীয় পৰ্য্যায়ত পৰা গৈছে আৰু ৰাজ্যিক পৰ্য্যায়তো। কিন্তু যেতিয়াই আমি এটা নিৰ্দিষ্ট পৰ্য্যায়লৈ আহি পৰোঁ তেতিয়াই আমি ৰাজ্যিক, জিলা তথা তালুক পৰ্য্যায়লৈ বিস্তৃত ভাবে যাবলগীয়া হয়।

প্ৰঃ মূল পৰ্য্যায়ত ?

উঃ হয়, মূল পৰ্য্যায়তো। এতিয়া কংগ্ৰেছৰ ভিতৰত আৰু চৰকাৰৰ লগত নিখুঁট সহযোগিতাৰ বাবে তালুকৰ পৰা ৰাজ্যিক পৰ্য্যায়লৈকে সকলো পৰ্য্যায়তে কংগ্ৰেছক জড়িত কৰিবলৈ আঁচনি লৈছোহঁক।

প্ৰঃ যিসকল লোকক কেৱল মাত্ৰ তেওঁলোকৰ অনিষ্টকৰ মূল্য বিনষ্ট কৰিবৰ কাৰণেই দলত স্থান দিয়া হ'ল সেই ৰাজনৈতিক লোকসকলক বিতাৰিত কৰাৰ কথা আপুনি ভাবিছেনেকি ?

উঃ এইটো এটা বৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন। চাওক, কংগ্ৰেছ হ'ল এটা জনবহুল সংস্থা,—ইয়াত উপকাৰ সাধন কৰা লোকো আছে আৰু কিছুমান অবাঞ্ছিতো আছে। ঐতিহাসিক ভাবে গ্ৰহণ কৰা প্ৰক্ৰিয়া সমূহৰ দ্বাৰা তেওঁলোকৰ পৰা মুক্তি পোৱা হৈছে। যেতিয়াই কিছুমান কাৰ্য্যসূচী ঠন ধৰি উঠে নাইবা যেতিয়াই কিবা প্ৰগতিশীল বিপ্লৱী পৰিস্থিতিৰ উদ্ভৱ হয়, যিটো সময়ত নেকি আমি অধিক কাৰ্য্যকৰীভাবে

কাম কৰাটো আৱশ্যক হৈ পৰে তেতিয়াই দলৰ এনে সমালোচকসকলৰ ভালেমান ওলাই পৰে।

বৰ্ত্তমান আমাৰ হাতত কামৰ আঁচনি আছে নহয়, এতিয়া ভালেমান সমালোচক ওলাই পৰিব।

কংগ্ৰেছৰ নীতিৰ যি বিৰোধিতা কৰে, কংগ্ৰেছৰ আদৰ্শৰ ওপৰত অথবা প্ৰধান মন্ত্ৰীৰ নেতৃত্বৰ ওপৰত যাৰ আস্থা নাই, সেই সকল নিশ্চয় দলৰ পৰা যাব লাগিব।

প্ৰঃ তাৰ মানে আপুনি কৈছে যে সুবিধাবাদীসকল যাব লাগিব?

উঃ হয়, সুবিধাবাদী আছে; তাৰে কিছুমান একেবাৰে ওপৰ মহলাত আছে—যিসকলে দলৰ কাৰ্য্যসূচী আৰু ৰাজনৈতিক নেতৃত্বৰ বিৰোধিতা কৰে।

প্ৰঃ তেওঁলোকক বহিষ্কাৰ কৰাৰ আঁচনি লৈছে নেকি?

উঃ এইটো দেখ দেখ কথা। এনে এটা বাতাবৰণ গঢ়ি তোলা হ'ব যাতে দলৰ বিষয়-বাব আৰু কামকাজৰ পৰা তেওঁলোকে নিজকে এঘৰীয়া যেন পাব। এইটো সোনকালেই কৰা হ'ব।

আচৰণ বিধি

প্ৰঃ প্ৰধান মন্ত্ৰীয়ে আৰু অধিক সুস্থ ৰাজনৈতিক আচৰণ আৰু এক দায়িত্বৰ মনোভাবৰ আৱশ্যকতাৰ গুৰুত্বৰ কথা উল্লেখ কৰিছে। কংগ্ৰেছী লোকসকলৰ মনত এনে এটা ভাব সুমুৱাবৰ কাৰণে কংগ্ৰেছ দলে কি কৰিব পাৰে?

উঃ এইটো বৰ গুৰুত্বপূৰ্ণ কথা। মাটিৰ সৰ্বোচ্চ আইনৰ কথাকে ধৰক, কংগ্ৰেছী লোকসকলে নিজে চিলিং আইন অনুযায়ী নচলিলে আনসকলে মানিব বুলি তেওঁলোকে জানো ভাবিব পাৰে? বদান্যতা ঘৰৰ পৰাই আৰম্ভ হয়। আৰু এই ক্ষেত্ৰত কাৰ কিমান মাটি আছে সেইকথা ৰাইজে জানে, সেয়ে আইনমতে পাব পৰাতকৈ অতিৰিক্ত মাটিখিনি এৰি নিদিলে ৰাইজৰ তেওঁৰ ওপৰত আস্থা নাথাকিব আৰু বহুসংখ্যক কংগ্ৰেছী লোক যদি এইদৰেই থাকে, তেতিয়াহলে বহু পৰিমাণে জৰুৰী অৱস্থাই পুনৰ আনি দিয়া দলৰ যশস্যা ম্লান হৈ যাব।

কংগ্ৰেছী লোকসকলক নিজকে নিয়মানুৱৰ্ত্তী কৰিবলৈ আৰু তেওঁলোকৰ বাবে এক নিৰ্দিষ্ট আচৰণ বিধি মানি চলিবলৈ আমি কম। অন্ততঃ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ নেতৃত্বৰ ওপৰত আমি ইয়াক আৰোপ কৰিব লাগিব। ইয়াৰ পৰাই কৰ্মীসকলৰ বাবে চানেকী তৈয়াৰ হ'ব।

প্ৰঃ দলৰ সভ্যসকলে বিশেষকৈ অৰ্থনৈতিক খণ্ডত দলৰ নীতিসমূহ বাৰে বাৰে ভঙ্গ কৰি আহিছে। তেওঁলোকৰ বিৰুদ্ধে আপুনি কিবা কাৰ্যব্যৱস্থা লৈছে নেকি?

উঃ নিশ্চয়, আমি তেওঁলোকক নিজ নিজ সা-সম্পত্তিৰ বিষয়ে প্ৰকাশ কৰিবলৈ কম। কিন্তু মই আশা কৰোঁ তেওঁলোকৰ ওপৰত এইবিলাক জাপি দিয়াতকৈ নিজৰ বিবেক অনুযায়ীয়েই তেওঁলোকে এই কাম কৰক। মই মুখ্য মন্ত্ৰী আৰু অন্যান্য সকলৰ লগত আলোচনা চলাই আছোঁ। অতিৰিক্ত মাটিখিনি সোধাই দিবলৈ কম। প্ৰথমতে আমি মাটিৰ ক্ষেত্ৰতেই আৰম্ভ কৰিম আৰু পিছত অন্যান্য ক্ষেত্ৰলৈ যাম।

আভ্যন্তৰীণ শৃঙ্খলা

প্ৰঃ প্ৰধান মন্ত্ৰীয়ে এই কথাও বাৰে বাৰে কৈ আহিছে যে ৰাইজৰ মাজত শৃঙ্খলাৰ মনোভাব জগাই তুলিব লাগে। এই কাম আটাইতকৈ সুন্দৰভাবে কৰিব পাৰি দলৰ দ্বাৰা, চৰকাৰৰ দ্বাৰা নহয়, যিহেতু দলেই হ'ল ইয়াৰ বাবে সৰ্বোত্তম মাধ্যম।

উঃ শৃঙ্খলা সম্পৰ্কে মোৰ যি ধাৰণা সেইটো একেবাৰে সামৰিক বাহিনীৰ নিচিনা নহয়। মই যিটো সৃষ্টি কৰিবলৈ বিচাৰোঁ সেইটো হ'ল এটা আভ্যন্তৰীণ অনুশাসন য'ত ৰাজনৈতিক তথা সামাজিক আচৰণৰ কিছুমান নিৰ্দিষ্ট ব্যৱস্থা থাকিব। আচলতে, গান্ধীজীৰ দিনৰে পৰা আমি কিছুমান বৰ ডাঙৰ বস্তু পাইছোঁ। ইয়াৰে এটা হ'ল—ৰাজনৈতিক, ব্যক্তিগত আৰু সামাজিক শৃঙ্খলাৰ নিদিষ্ট কিছুমান আদৰ্শ স্বেচ্ছাই মানি চলিবলৈ ইচ্ছা কৰাটো।

প্ৰঃ গান্ধীজীৰ সময়ৰ দৰে……

উঃ সেইটো সঁচা, ব্যক্তিগত, ৰাজনৈতিক আৰু সামাজিক দিশৰ কিছুমান শৃঙ্খলা, কিছুমান আদৰ্শ।

প্ৰঃ দলৰ কৰ্মীসকলক পুনৰ সচেতন কৰিবলৈ আৰু নতুন পৰিস্থিতিত তেওঁলোকৰ দায়িত্ব সম্পৰ্কে সম্পূৰ্ণৰূপে সচেতন কৰিবলৈ নাৰোৱাৰ নিচিনা আৰু অধিক শিবিৰ পতাৰ কথা ভাবিছেনেকি ?

উঃ এতিয়া আমি শিবিৰ নাপাতোঁ, কিয়নো এনে শিবিৰত কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। এতিয়া আমি কংগ্ৰেছ কৰ্মীসকলক জিলা পৰ্য্যায়ত সংগঠিত কৰিছোঁ যাতে তেওঁলোকে চৰকাৰৰ সহযোগিতাত বিশেষ বিশেষ সমস্যাৰাজিৰ ওপৰত আলোচনা চলাবলৈ সন্মিলিত হ'ব পাৰে।

প্ৰঃ তাৰ মানে দলৰ কৰ্মীসকলক পুনৰ সচেতন কৰিবলৈ আপুনি এক ব্যাপক পাঠ্যক্ৰম আৰম্ভ কৰিছে ?

উঃ সেইটো ঠিক। এনে ধৰণে সচেতন আৰু পুনৰ সচেতন কৰাৰ অব্যাহত প্ৰক্ৰিয়াত কংগ্ৰেছ দলে নিজকে নিয়োজিত কৰিব লাগিব।

আমোলাসকলৰ দায়িত্ব

প্ৰঃ অনুমান কৰা যায় যে দল সক্ৰিয় হৈ নুঠিলে আমোলাতন্ত্ৰই উচ্চ স্থান লোৱাৰ সুবিধা পাব নেকি ?

উঃ আপুনি ঠিকেই কৈছে। যোৱা কেইবছৰৰ কামকাজলৈ চাই দলত বৰ্তমান অধিক একতা আহি পৰিছে। আগতকৈ বহু বেছি সচেতনতা দেখা গৈছে আৰু প্ৰতিশ্ৰুতি পূৰণৰ বাবে আগতকৈ বহু ভালধৰণৰ মনোভাব দেখা গৈছে। মই নিশ্চিত যে কংগ্ৰেছী লোকসকলে আমাৰ আহ্বান, প্ৰধান মন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি দিব।

প্ৰঃ তেতিয়াহলে আপুনি আমোলাতন্ত্ৰ আৰু জিলা পৰ্য্যায়ৰ দলৰ কৰ্মীসকলৰ মাজত সমন্বয় সাধন কৰিবলৈ দিহা কৰিছে ?

উঃ হয়, চৰকাৰৰ ভিতৰত কাম চলাবৰ বাবে কিছুমান আলোচনা কৰিব লাগিব আৰু কিছুমান ব্যৱস্থা লব লাগিব। আমোলাসকলো সামাজিক প্ৰাণী তেওঁলোকেও ভিন্ন ভিন্ন সামাজিক স্তৰৰ প্ৰতিনিধিত্ব কৰে। মই নিশ্চিত যে তেওঁলোকৰ পৰা সমৰ্থন পোৱা যাবই।

অতিশয় ৰক্ষণশীল স্বভাৱৰ আৰু প্ৰতিক্ৰিয়াশীল লোকো থাকিব পাৰে, আৰু মই ভাবোঁ অতি সোনকালে সেই সকলক আঁতৰ কৰা উচিত।

প্ৰঃ মোৰ ধাৰণা হ'ল—বহু সংখ্যক আমোলা আপুনি দেশত সৃষ্টি কৰিবলৈ বিচৰা পৰিস্থিতিৰ লগত সুপৰিচিত নহয়। তেওঁলোকক পুনৰ সচেতন কৰাৰ প্ৰয়োজন নাইনে ?

উঃ আপুনি যদি কেৱল উচ্চপদস্থ বিষয়াসকলৰ কথাহে কৈছে তেতিয়াহলে সেইটো বেলেগ কথা। কিন্তু সৰহসংখ্যক চৰকাৰী কৰ্মচাৰী প্ৰতিক্ৰিয়াশীল বুলি মই নাভাবোঁ। তেওঁলোকে সমস্যাৰ আচল ৰূপটো উপলব্ধি নকৰিব পাৰে। কিন্তু তেওঁলোকৰ নিজা স্বাৰ্থৰ ফালৰ পৰা চাবলৈ গলে তেওঁলোকক প্ৰতিক্ৰিয়াশীল বুলি মই নাভাবোঁ আৰু পূৰা বিশ্বাস আছে সমাজৰ হিত সাধন কৰিব পৰা যি কোনো পৰিবৰ্ত্তনতেই তেওঁলোকে আদৰণি জনাব। প্ৰকৃততে আয়কৰৰ ৰেহাই দান বৃদ্ধি, ছাত্ৰছাত্ৰীৰ বাবে দিয়া সা-সুবিধা, পাঠ্যপুথিৰ মূল্য ৰেহাই আদি বিষয়বিলাকে সহায় কৰিব। বহুসংখ্যক ছাত্ৰছাত্ৰীয়েই হ'ল—চৰকাৰী কৰ্মচাৰীৰ ল'ৰা-ছোৱালী।

চি. পি. আই. ৰ ভূমিকা

প্ৰঃ জৰুৰী অৱস্থাৰ প্ৰতি অন্তঃকৰণেৰে আদৰণি জনোৱা আৰু প্ৰধান মন্ত্ৰীলৈ সহযোগিতা আগবঢ়োৱা চি. পি. আই. য়েই হ'ল একমাত্ৰ অনা-চৰকাৰী দল। এই দুটা দলৰ এনেদৰে মত সাদৃশ্য হোৱাৰ কাৰণ কি কি অলপ কবনেকি ?

উঃ আন কিছুমান দলেও ইয়াৰ প্ৰতি আদৰণি জনাইছে। আমাক সমৰ্থন কৰা চি. পি. আই.য়েই হ'ল প্ৰধান দল। 1969 চনৰ পৰাই চি. পি. আই.য়ে কংগ্ৰেছৰ লগত সহযোগিতা কৰি আহিছে আৰু প্ৰধান মন্ত্ৰীৰ নীতি আৰু কাৰ্য্যসূচী সমৰ্থন কৰি আহিছে। যি কোনো প্ৰগতিশীল দলৰে সমৰ্থন কংগ্ৰেছে সাদৰে গ্ৰহণ কৰিব। কিন্তু মই এইখিনিতে এইটো পৰিষ্কাৰ কৰি দিব খোজোঁ : জনতাক পৰিচালনা কৰা যাই বোজাটো হ'ব আমাৰ ওপৰত, কিয়নো আমিয়েই হলোঁ প্ৰকৃততে জনতাৰ সংগঠিত শক্তি।

প্ৰঃ মোৰ ধাৰণামতে চি. পি. আই. ৰ লগত হোৱা বুজাপৰা ৰাষ্ট্ৰীয় পৰ্য্যায়ত হৈছে। জিলা অথবা ৰাজ্যিক পৰ্য্যায়ত কিবা প্ৰকাৰৰ সমন্বয় সাধনৰ কথা আপুনি ভাবিছেনেকি ?

উঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ত এইটো হ'ল এটা নীতিগত গ্ৰহণৰ প্ৰশ্ন। কিন্তু যি কোনো দলবে ঘাই কামকাজ হয় জিলা অথবা ৰাজ্যিক পৰ্য্যায়ত আৰু ঠাই বিশেষ ই বেলেগ বেলেগ হয়। কোনো কোনো ঠাইত চি· পি· আই· ৰ গোট নাই। গুজৰাটত চি. পি· আই. নাই বুলিয়েই কব পাৰি। কিন্তু কেৰালাত চি· পি. আই. চৰকাৰত আছে। আমি তেওঁলোকক সমৰ্থন দিছোঁ আৰু একলগে কাম কৰিছোঁহঁক। পশ্চিম বঙ্গত তেওঁলোকৰ দল ডাঙৰ আৰু তাত আমি সহযোগিতা কৰিছোঁ। বিহাৰতো। মোটামুটিভাবে আমি একেলগে কাম কৰি যাব পাৰিমহঁক।

প্ৰঃ এনে ধৰণৰ সমন্বয়ে দুয়োটা দলৰ মাজত অধিক বুজাবুজিৰ সৃষ্টি কৰিবনে ?

উঃ কাৰ্য্যসূচী আৰু অন্তিম উদ্দেশ্যবিলাকৰ বিষয়ত আমাৰ নিশ্চয় এটা বুজাপৰা আছে।

প্ৰঃ আপুনি ভাবে সামাজিক লক্ষ্যসমূহত এইধৰণে সোনকালে উপনীত হ'ব পৰা যাব ?

উঃ কথা হ'ল—এই কাৰ্য্যসূচী ৰূপায়ণত চৰকাৰ কিমান কাৰ্য্যকৰী হ'ব পাৰে। জৰুৰী অৱস্থাই আমাক এটা সুবিধা দিছে। আমাৰ প্ৰতিশ্ৰুতিবিলাকৰ বিষয়ে আমি দৃঢ় হ'ব লাগিব।

দ্বিতীয়তে, আমাক উপশম দিব পৰা এই ব্যৱস্থাৱলী ৰূপায়ণ কৰাত আমি এই পৰিস্থিতিক কামত লগাব লাগিব। এই দুটা উদ্দেশ্যত যদি আমি সফল হ'ব পাৰোঁ, মই খাতাংকৈকৰ পাৰোঁ ৰাইজে ইয়াক গ্ৰহণ কৰিব। সমাজবাদী উন্নয়নৰ ব্যৱস্থাৱলী ৰূপায়ণ কৰাত তেওঁলোকে আমাক সমৰ্থন দিব।

প্ৰকৃততে জনতাৰ অংশ গ্ৰহণৰ জৰিয়তেহে সামাজিক পৰিৱৰ্ত্তন আহিব পাৰে।

প্রঃ আপুনি সমাজবাদক ৰাষ্ট্ৰীয়কৰণৰ সৈতে একে বুলি কব খোজেনেকি ?

উঃ সদাই যে সেইটো হ'ব এনে নহয়। শতকৰা আশী ভাগ লোকে গাঁৱত বাস কৰে। তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ উপায় হ'ল,—কৃষি, কুটিৰ শিল্প আৰু গ্ৰাম্য কাৰুশিল্প। তেওঁলোকৰ বাবে সমাজবাদ মানে ৰাষ্ট্ৰীয়কৰণ হ'ব নোৱাৰে। উদ্যোগসমূহ ৰাষ্ট্ৰীয়কৰণ কৰোঁতে সামাজিক পৰিৱৰ্ত্তন সাধনৰ বাবে নিহিত স্বাৰ্থৰ ক্ষমতা কৰ্তণ কৰা হয়।

প্ৰঃ আপুনি সংক্ষিপ্ত ভাবে সমাজবাদৰ সূত্ৰটো দাঙি ধৰিবনে, মানে—সমাজবাদ সম্পৰ্কে আপোনাৰ ধাৰণা ?

উঃ পণ্ডিত নেহৰুৱে কংগ্ৰেছৰ সংবিধানত দাঙি ধৰা সমাজবাদৰ লগত মোৰ ভাবধাৰা একেই। ইয়াৰ মানে সমাজবাদৰ স্বেচ্ছামূলক গ্ৰহণ।

পৰিৱৰ্ত্তনৰ আহিলা

প্ৰঃ আপোনাক এটা ব্যক্তিগত প্ৰশ্ন সোধোঁ। আপোনাক যি জানে তেওঁলোকে আপোনাৰ ইতিহাস, সংস্কৃতি আৰু ধৰ্ম্মৰ বিষয়ে থকা গভীৰ জ্ঞানৰ কথা কয়। কোনো কোনোৱে কয় যে ৰাজনীতিলৈ নহা হলে আপুনি এজন বিখ্যাত ভাষাতত্ববিদ অথবা বুৰঞ্জীবিদ হ'লহেঁতেন। সকলো সময়তে ৰাজনীতি কৰিবলগীয়া লোক হোৱাৰ বাবে আপোনাৰ খেদ্ আছে নেকি ?

উঃ স্বাধীনতা যুঁজাৰু হিচাপে মই মোৰ জীৱন আৰম্ভ কৰিছোঁ। স্বাধীনতা লাভ কৰাৰ পিছতো মই ৰাজনীতিতে লাগি থাকিলোঁ কিয়নো, মোৰ বাবে স্বাধীনতা আছিল সামাজিক পৰিৱৰ্ত্তনৰ প্ৰথম পদক্ষেপ মাথোন। সেয়ে প্ৰশাসক নহৈ সামাজিক পৰিৱৰ্ত্তনৰ এজন যুঁজাৰু হিচাপে ৰাজহুৱা জীৱনতে মই থাকি গলোঁ। আপোনালোকে জানেই যে সামাজিক পৰিৱৰ্ত্তনৰ বাবে কংগ্ৰেছেই একমাত্ৰ আহিলা বুলি মই বিশ্বাস কৰোঁ। বাবেই মই মন্ত্ৰী সভাৰ পদবী এটা এৰি আহিছোঁ। এই উদ্দেশ্য পূৰণ হলে মোৰ জীৱন সাৰ্থক হ'ব।

প্ৰঃ আপোনাৰ জীৱনত কোন খেদ নাই ?

উঃ মোৰ কোনো খেদ নাই। সামাজিক পৰিৱৰ্ত্তন সাধনৰ কামত ডেকা কালত আহৰণ কৰা মোৰ জ্ঞানখিনি ব্যৱহাৰ কৰিবলৈ মই এটা সুযোগ পালোঁ।

প্ৰঃ শিক্ষা আৰু ৰাজনৈতিক জীৱনত আপোনাৰ অনুপ্ৰেৰণাৰ ঘাই সূত্ৰ কোন বাৰু ?

উঃ পণ্ডিত জৱাহৰলাল নেহৰু আৰু তেওঁ মোক অনুপ্ৰেৰণা দিয়েই থাকিল।

প্ৰঃ শিক্ষাৰ ক্ষেত্ৰত ?

উঃ শিক্ষাৰ ক্ষেত্ৰতো। কাৰণ ভাৰত বুৰঞ্জীৰ প্ৰতি পণ্ডিত নেহৰুৰ বৰঙনি হ'ল অনুপম। আন কোনোবাই সিমানখিনি কৰিছেনে নাই মই কব নোৱাৰোঁ।

প্ৰঃ আপুনি বুদ্ধৰ দ্বাৰা গভীৰ ভাবে অনুপ্ৰাণিত বুলি ভাব হয়।

উঃ বুদ্ধই যুক্তিযুক্ততাৰ ওপৰত ভেঁটি কৰি এখন সমাজ গঠন কৰিবলৈ বিচাৰিছিল…যিটো মোৰ বাবে এটা বৌদ্ধিক অনুশীলনীৰ দৰেহে। কিন্তু জ্বলন্ত উদাহৰণ হিচাপে মই ভাবোঁ মই জনা আন যি কোনো লোকতকৈ পণ্ডিত নেহৰুৱে মোক বেছি প্ৰভাৱান্বিত কৰিছিল।

ৰজনী পেটেল ঃ পৰিৱৰ্ত্তনৰ মুহূৰ্ত্ত

বি পি চি চিৰ সভাপতি ৰজনী পেটেল হ'ল শক্তিৰ অফুৰন্ত ভাণ্ডাৰ। পুৱা পাঁচ বজাত তেওঁ শোৱাপাটি এৰে আৰু এঘণ্টাৰ পিছতেই তেওঁৰ দিনটো আৰম্ভ হয়। তেওঁৰ টেলিফোন দুটা বাজিবলৈ লয় আৰু তেওঁক লগ পাবলৈ অহা লোকৰ সমাগম হয়। নিশা 11 বজাত তেওঁ দিনটো ওৰ পেলোৱাৰ সময়ত হাঁহিৰে ভৰা মুখখনত ক'তো ক্লান্তিৰ আভাষ পোৱা নাযায়। তেতিয়াও তেওঁৰ চকুৰ উজ্জ্বলতা থাকেই।

যদিওবা তেওঁ বোম্বাইত থাকে আৰু এক মনেৰে বি পি চি চিৰ কামত মনোনিবেশ কৰে তেওঁৰ ৰাজনীতিৰ ওজনটো দিল্লীতহে অনুভৱ কৰা হয়। অগণন বন্ধু-বান্ধৱ আৰু হিতাকাঙ্খীৰ কাৰণে ৰজনীভাই হ'ল সাগৰসদৃশ, দয়ালু, অনুভূতিপ্ৰৱণ, অকপট আৰু স্পৰ্শকাতৰ।

টেলিভিশ্যনত প্ৰথম দেখা দিয়াৰ সময়ত তেওঁক কিছু নাৰ্ভাছ হোৱা যেন লাগিছিল। টিভি কেন্দ্ৰলৈ যাওঁতে এই বিষয়ে তেওঁ বেছি সজাগ হৈ পৰিছিল যে সেই সন্ধিয়ালৈ কমেও এক নিযুট মানুহে তেওঁক চাব ; চহৰখনৰ প্ৰতি ঘৰে ঘৰে তেওঁৰ নাম লয়।

কিন্তু মই প্ৰথম প্ৰশ্নটো সোধাৰ লগে লগে তেওঁ সহজ হৈ পৰিল।

1975 চনৰ পহিলা জুলাইত প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা কুৰিদফীয়া অৰ্থনৈতিক কাৰ্যসূচীক তেওঁ—অৰ্থনৈতিক অগ্ৰগতিৰ বাবে দেশে চলোৱা সংগ্ৰামৰ এটা "পৰিৱৰ্ত্তনৰ মুহূৰ্ত্ত" বুলি বৰ্ণনা কৰে।

এই সাক্ষাৎকাৰ অনুষ্ঠান সকলো টিভি কেন্দ্ৰৰ পৰা দেখুওৱা হয়।

অৰ্থনৈতিক কাৰ্য্যসূচীৰ বিষয়ে শ্ৰী ৰজনী পেটেল কয় যে ইয়াৰে কিছুমান বিষয় হ'ল কংগ্ৰেছৰ অৰ্থনৈতিক নীতিৰে ধাৰাবাহিকতা। 1971 চনৰ কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ আৰু নাৰোৰা শিবিৰৰ পৰা এই বিলাক লোৱা হৈছে। কিন্তু কয় যে "ইয়াত পোন প্ৰথমবাৰলৈ এনে কাৰ্যসূচীত ঠাই পোৱা গাঁৱৰ দুখীয়া লোকসকলক সকাহ দিয়াৰ লেখীয়া সুদূৰ প্ৰসাৰী তাৎপৰ্য্যৰ বিষয় কিছুমানো আছে।"

এই কাৰ্য্যসূচীসমূহ ৰূপায়ণ কৰাৰ বিষয়টো কিমান গুৰুত্ব সহকাৰে লৈছে বুলি সোধাত, ইয়াৰ যুগুতকৰণৰ সময়ত প্ৰধান মন্ত্ৰীৰ লগত অতি নিবিড় ভাবে সহযোগিতা কৰা শ্ৰী পেটেলে কয়, "ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰিবলৈ লোৱা সংকল্পত প্ৰধান মন্ত্ৰী দৃঢ় সংকল্পবদ্ধ।"

নগৰীয়া, নগৰী কৰণৰ উপযোগী মাটি সামাজিকীকৰণৰ ভাৰধাৰাৰ বিষয়ে শ্ৰী পেটেলে বহলাই কয়। তেওঁ কয় যে এই সংক্ৰান্তীয় আইন প্ৰণয়ণৰ বিষয়টোতো চূড়ান্ত ৰূপ দিয়া হৈছে আৰু আশা কৰে যে এই বিষয়ত বিশেষভাবে আগ্ৰহী ৰাজ্য দুখন পশ্চিম বঙ্গ আৰু মহাৰাষ্ট্ৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ তেওঁলোকৰ পৰামৰ্শ আগবঢ়াব।

মাটিৰ সামাজিকীকৰণ

শ্ৰী পেটেলে কয় যে যোৱা চাৰি বছৰ ধৰি বি পি চি চি আৰু আন আন সংস্থাসমূহে এটা নিৰ্দিষ্ট সীমাৰ বাহিৰে এনেয়ে পৰি থকা সকলোখিনি মাটি চৰকাৰে লব পৰাকৈ আইন প্ৰণয়ণ কৰিবলৈ দাবী জনাই আহিছে।

যিখন চহৰত "মাটিৰ দাম সোণৰ সমানেই" আৰু য'ত সম্প্ৰতি বস্তি এলেকাত বসবাস কৰি থকা ডেড় নিযুট লোকৰ গৃহ নিৰ্মাণৰ সমস্যা আছে, তাত গৃহ নিৰ্মাণৰ ব্যয় কৰাটো আৱশ্যকীয় কথা।

যিহেতুকে এটা ঘৰ নিৰ্মাণত হোৱা ব্যয়ৰ শতকৰা 50 ভাগ মাটিতে হয়, "এতিয়া যদি মাটি সামাজিকীকৰণ কৰা হয়, ই সৰ্বসাধাৰণ ৰাইজৰ বাবে গৃহ নিৰ্মাণ কাৰ্যসূচীৰ আৰম্ভণি সূচাব" বুলি তেওঁ কয়।

তেওঁ কয় যে বোম্বাইত খালী মাটি অধিগ্ৰহণ কৰাৰ উপৰিও· ক্ষতিপূৰণৰ প্ৰশ্নটো অধিক তাৎপৰ্যপূৰ্ণ।

প্ৰঃ কাৰ ক্ষতিপূৰণ।

উঃ মাটি মালিকসকলৰ ক্ষতিপূৰণ আৰু কোনো ক্ষেত্ৰত ফটকাবাজ সকলকো। মাটিৰ সৰ্বোচ্চ সীমা আইনমতে বজাৰ দৰ অনুযায়ী ক্ষতিপূৰণ দিবলৈ হলে ইয়াৰ পৰা একো সাৰ্থকতা নহ'ব।

তেওঁ কয় যে সামাজিকীকৰণৰ সামগ্ৰিক উদ্দেশ্য হ'ল এটা উচিত দামত ঘৰ সজা মাটি পোৱাটো সুনিশ্চিত কৰা আৰু গৃহ নিৰ্মাণৰ ব্যয় যিমান পৰা যায় কম কৰা।

এই কাৰ্যসূচী আগবঢ়াত প্ৰধান বাধা হৈছে 31 অনুচ্ছেদৰ অধীনত সম্পত্তিৰ ওপৰত থকা অধিকাৰ। তেওঁ কয় যে এই 31 অনুচ্ছেদটো সম্পূৰ্ণ অথবা আংশিক ভাবে বাতিল কৰিবৰ বাবে সংবিধানৰ গণ্ডিৰ ভিতৰতেই ৰাষ্ট্ৰপতিৰ ক্ষমতা আছে। "দেশৰ সৰ্বসাধাৰণ ৰাইজৰ স্বাৰ্থত ৰাষ্ট্ৰপতিয়ে এইটো কৰা উচিত।"

প্ৰঃ ইয়াৰ বাবে আপুনি কিবা যন্ত্ৰ গঠন কৰিছেনেকি ?

উঃ মই ভাবোঁ এনে এটা যন্ত্ৰ গঠন কৰা হ'ব। আনকি তেতিয়াও মাটিৰ সামাজিকীকৰণতেই কামৰ শেষ নহয়। এটা সামাজিক উদ্দেশ্যত উপনীত হ'বৰ বাবে ব্যৱহাৰ কৰিবলৈ এই মাটি লোৱা হৈছে।

শ্ৰী পেটেলে আঙুলিয়াই দিয়ে যে দহ বছৰৰ আগতে কেবাটাও ডাঙৰ ডাঙৰ কোম্পানীয়ে অতি কম দামত বহু পৰিমাণৰ মাটি কিনে আৰু সেই মাটিখিনি অব্যৱহৃত হৈ আছে। এই মাটিখিনিত ৰাইজৰ বাবে ঘৰ সজাতকৈ আৰু কি ভাল কামত লগাব পাৰি। এনে ধৰণৰ মাটি অধিগ্ৰহণ কৰিব পৰাকৈ চিলিং আইনৰ সংশোধন ঘটাবলৈ তেওঁ পৰামৰ্শ দিয়ে যাতে এই মাটিখিনি কম আয়ৰ লোকৰ ঘৰ সজাৰ কামত ব্যৱহাৰ কৰিব পাৰি।

তেওঁ কয় যে চহৰীয়া মাটিৰ সামাজিকীকৰণৰ বিষয়টো মৌলিক আৰু প্ৰাথমিক, কিয়নো ইয়াৰ ফলত চহৰীয়া উশৃঙ্খলতা, যথে-মধে হোৱা চহৰৰ বৃদ্ধি, ঠেলা ঠেলি আৰু অন্যান্য আহুকালবোৰৰ জোৰা

মাৰিব পৰা যাব। তেওঁ কয় যে যদি মাটি অধিগ্ৰহণ কৰিব পৰা যায়, তেতিয়াহলে দীৰ্ঘম্যাদী কাৰ্য্যসূচীত ঘৰ সজাৰ মাটি দিয়াৰ ব্যৱস্থাও ক্ৰমান্বয়ে হাতত লব পৰা যাব।

বৰ্ত্তমান বস্তিৰে ভৰি থকা ভালেখিনি চৰকাৰী তথা ব্যক্তিগত মালিকীস্বত্বৰ মাটি অধিগ্ৰহণ নকৰাৰ কোনো মানে নাই। তেওঁ কয় "বস্তি এলেকাৰ লোকসকলক খেদি দিবলৈ মই কোৱা নাই, কিন্তু ইয়াৰে অলপমান মাটি বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি, বস্তি-বাসী সকলৰ বাবে কম ব্যয়ত ঘৰ সজাত ব্যৱহাৰ কৰিব পাৰি। ই হ'ব এটা আত্মপ্ৰণোদিত প্ৰক্ৰিয়া।"

আয়কৰদানৰ ৰেহাই সীমা বৃদ্ধিয়ে, শ্ৰী পেটেলে কয়, আয়কৰ দিয়া মুঠ লোকৰ এক পঞ্চমাংশ অৰ্থাৎ প্ৰায় 8 লাখ লোকক সকাহ দিব। বোম্বাই, কলিকতা আৰু মাদ্ৰাজৰ লোকসকল ইয়াৰ দ্বাৰা ঘাইকৈ উপকৃত হ'ব।

নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে সোধাত শ্ৰী পেটেলে কয়, "এইটো এটা বহু দিশ সম্বলিত বিষয়।" চোৰাং বেপাৰীসকলে এনে সা-সামগ্ৰীৰ বজাৰত হাত দিছিল। এনে চোৰাং বেপাৰী আৰু লগতে অবৈধ মজুতকাৰী আৰু ক'লা বজাৰীক গ্ৰেপ্তাৰ কৰাৰ পিছত এতিয়া এই ক্ষেত্ৰত এটা সুস্থ প্ৰৱণতা দেখা গৈছে।

উৎপাদনী নিয়ন্ত্ৰণ

শ্ৰীপেটেলে আঙুলিয়াই দিয়ে যে কেবল মাত্ৰ যথোপযুক্ত বিতৰণ যন্ত্ৰ এটাই অকলে নিয়মীয়া যোগান আৰু মূল্য কম কৰাত বিশেষ ভূমিকা লব নোৱাৰে। উৎপাদনৰ নিয়ন্ত্ৰণ অবিহনে বিতৰণ ব্যৱস্থা অৰ্থহীন হ'ব।

তেওঁ কয় যে অধিক উৎপাদন সুনিশ্চিত কৰাৰ কাৰণে ঘাই ঘাই ট্ৰেড ইউনিয়ন আৰু উদ্যোগসমূহৰ লগত আলাপ আলোচনা চলোৱা হৈছে।

প্ৰঃ এটা নতুন ঔদ্যোগিক নীতিৰ কথা ভাবিছেনেকি ?

উঃ এৰা, মই ভাবোঁ শৃঙ্খলা আৰোপ কৰিয়েই পুৰণি ঔদ্যোগিক নীতিটোক নতুন এটালৈ ৰূপান্তৰিত কৰিব পাৰি।

আজিকালি যিবোৰ মানবিশিষ্ট কাপোৰ ওলায় সেইবোৰ সমূলি মানবিশিষ্ট নহয়। ইয়াক নিম্ন মানবিশিষ্ট বুলিহে কোৱা উচিত।

এইবিধ কাপোৰ ভিন্ন ভিন্ন প্ৰকাৰত পোৱা নাযায় আৰু ই পেলনীয়া বস্তুহে। অতিলেখ সময়ত এক নতুন বস্ত্ৰ নীতি যুগুত কৰিব লাগিব; মই ভাবোঁ ৰাজহুৱা বিতৰণৰ বাবে কেইবিধমান কাপোৰৰ ব্যৱসায় চৰকাৰৰ হাতলৈ নি এটা নীতি ঘোষণা কৰা হ'ব। ইয়াৰ দ্বাৰা ৰাইজক বিভিন্ন ধৰণৰ কাপোৰৰ যোগান ধৰিব পৰা আৰু ৰাইজৰ চাহিদা অনুযায়ী কাপোৰ পাব পৰা কৰিব লাগে।

সকলোবোৰ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰে বিতৰণ পৰ্য্যায়ৰ নিয়ন্ত্ৰণ শক্তিশালী হ'ব লাগে। ইয়াৰ উপৰি, বিতৰণ যাতে ঠিকমতে কৰা হয় আৰু উচিত মূল্য লোৱা হয় তাৰ প্ৰতি চকু দিয়াৰ বাবে সতৰ্ক দৃষ্টিৰক্ষী কমিটি গঠনৰ জৰিয়তে ৰাইজৰ সহযোগিতাও লোৱা উচিত।

প্ৰঃ সতৰ্কতাৰক্ষী সমিতিসমূহৰ মাপকাঠি কি হ'ব ?

উঃ এই সমিতিসমূহৰ কিছুমান ক্ষমতা থাকিব লাগিব আৰু তেওঁলোকে কিবা অভিযোগ আদি উত্থাপন কৰাৰ সময়ত চৰকাৰ তথা প্ৰশাসনৰ লগত সমন্বয় ৰক্ষা কৰিব লাগিব। চৰকাৰে এই বিষয়ত খৰতকীয়া ব্যৱস্থা লব লাগিব।

মই ভাবোঁ যে কুবিদফীয়া অৰ্থনৈতিক কাৰ্য্যসূচীৰ বাস্তৱ ৰূপায়ণত হাত দিয়া ৰাজ্য আমাৰখনেই প্ৰথম। মই সন্তোষ পাইছোঁ যে আমাৰ মুখ্যমন্ত্ৰী শ্ৰীএছ. বি. চৱনে ততালিকে আগভাগ লয় আৰু যথা সম্ভৱ সোনকালে ইয়াক কেনেকৈ ৰূপায়ণ কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰিবৰ বাবে এটা গোটেই দিন জুৰি কেবিনেট বৈঠক পাতে।

গ্ৰাম্য ঋণ

প্ৰঃ আপুনি কব খোজে যে দলৰ মাজত এক জৰুৰী মনোভাবে দেখা দিছে?

উঃ মই সেইদৰেই ভাবোঁ, কিন্তু ইয়াক আৰু আগবঢ়াই নিব লাগিব।

প্ৰঃ সময়সাপেক্ষ কাৰ্য্যসূচীৰে এই কাম কৰিব লাগিব নেকি?

উঃ মোৰ মনেৰে নাৰোৰাত সময়সাপেক্ষ কাৰ্য্যসূচীৰ বিষয়ে আমি কৈ আহিছোঁ।

প্ৰঃ সমগ্ৰ দেশতে আৰু বিশেষকৈ বোম্বাইত আশা কৰা হৈছে যে নিম্নমুখী অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্ত্তন সাধনৰ বাবে কেতবোৰ ঘাই ঘাই ব্যৱস্থা লব লাগে।

এক জৰুৰী মনোভাবে দিল্লী তথা বোম্বাইত এতিয়া গা কৰিব লাগে।

উঃ এৰা, আমি ইয়াক এটা সুযোগ হিচাপে গ্ৰহণ কৰি সকলোৰেই ইয়াত মনোনিবেশ কৰিব লাগিব। মোৰ বোধেৰে ই আৰম্ভণিহে।

'গাঁও অঞ্চলত আমাৰ আনুকলীয়া সমস্যা আছে। আমাৰ বেঙ্কবিলাক এতিয়ালৈকে নগৰমুখী হৈ আছিল। 2 অক্টোবৰৰ ভিতৰত 50টা বেঙ্ক স্থাপন কৰা হ'ব বুলি শুনি মই আনন্দ পাইছোঁ। এইটো শেষ সময়; মই আশা কৰোঁ এই সময় সীমা ৰক্ষা কৰা হ'ব।

এনে সময়-সীমা মানি চলিব নোৱৰা অথবা সময়সাপেক্ষ কাৰ্য্যসূচী সম্পাদন কৰিব নোৱৰাসকলে তেনে কাম কৰিব পৰা সকলৰ বাবে ঠাই এৰি দিব লাগিব।

কৃষি উন্নয়নৰ বাবে গাঁও অঞ্চল বৰ গুৰুত্বপূৰ্ণ। খেতিয়ক সকলৈ সহায় আগবঢ়ালেহে খাদ্য উৎপাদন বৃদ্ধি কৰিব পৰা যায়। আজি তেওঁলোকে ৰাজহুৱা প্ৰতিষ্ঠানবোৰৰ পৰা ঋণ নাপায় বা সমবায় সমিতিসমূহৰ পৰাও নাপায়; তেওঁলোক আজি সুদখোৰৰ কবলত। কৃষিৰ আহিলা অথবা সাৰৰ বাবে তেওঁৰ টকা নাই অথবা অন্যান্য সা-সহায়ো তেওঁৰ সহজলভ্য নহয়।

মই নিশ্চিত যে নতুনকৈ স্থাপন কৰা এই 50টা বেংকে

উৎপাদন বৃদ্ধিৰ বাবে তেওঁলোকক প্ৰয়োজনীয় সা-সুবিধা দিয়াৰ লক্ষ্য ঘাইকৈ গ্ৰহণ কৰিব।

প্ৰঃ মই ভাবোঁ অৰ্থনৈতিক অগ্ৰগতিৰ দিশত দেখা দিয়া বাধাবোৰ অচিৰে আঁতৰোৱা হ'ব।

উঃ এই ক্ষেত্ৰত প্ৰশাসন আছে, চৰকাৰী যন্ত্ৰ আছে। প্ৰধান মন্ত্ৰীয়ে বাধাবিলাক আঁতৰাব নোৱাৰে। এইবিলাক আঁতৰোৱাৰ বাবে তেওঁ প্ৰবল ইচ্ছা, দৃঢ় সংকল্প দেখুৱাইছে। প্ৰধান হেঙাৰটো তেওঁ আঁতৰ কৰি দিলে। দেশৰ ভৱিষ্যতৰ পথ প্ৰশস্ত কৰাৰ কাৰণে বিশেষকৈ দুৰ্বল লোকসকলৰ বাবে তেওঁ এক কাৰ্য্যসূচী হাতত লৈছে।

কিন্তু এতিয়া এই কাৰ্য্যসূচীৰ ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে চৰকাৰক সহায় কৰাৰ দায়িত্ব হ'ল—দলৰ সকলো পৰ্য্যায়ৰ লোকৰ, পথাৰ আৰু কাৰখানাৰ শ্ৰমিকসকলৰ।

সিদ্ধাৰ্থ শঙ্কৰ ৰয় ঃ প্ৰত্যাগমন ন'হব

শ্ৰীসিদ্ধাৰ্থ শঙ্কৰ ৰয়, তেওঁৰ কেবিনেট সতীৰ্থ বৰ্গৰ "মনুদা"ই এটা দৈত্যৰ দৰে গোটেইখন পশ্চিম বঙ্গতে বিচৰণ কৰে। এসময়ৰ অশান্তি অধ্যুষিত এই ৰাজ্যখনত এতিয়া তেওঁৰ ছাঁ বিৰাজ কৰে।

নক্সালাইট আৰু চি. পি. এম. সৃষ্টি কৰা সন্ত্ৰাসৰ তিক্ত অভিজ্ঞতাৰ পৰা ৰাইজে সম্পূৰ্ণ সকাহ পোৱা নাই যদিও, ভাঙিব ভাব দেখ দেখকৈ নোহোৱা হোৱাৰ মূলতেই হ'ল—মৃদুভাষী আৰু নম্ৰ স্বভাৱৰ মুখ্যমন্ত্ৰী গৰাকীৰ বলিষ্ঠ নেতৃত্ব।

এতিয়া কলিকতাৰ ৰাস্তাত নিশা এগৰাকী মহিলাই নিৰ্ভয়ে ঘূৰি ফুৰিব পাৰে, কলেজৰ চৌহদত বোমাৰ আৱাজ নাই। স্কুল আৰু কলেজসমূহ এতিয়া আকৌ শিক্ষামূলক চৰ্চাৰ কেন্দ্ৰস্থল হৈ পৰিল কল-কাৰখানা পূৰ্ণোদ্যমে চলে।

"হয়, শান্তি বিৰাজ কৰিছে। এতিয়া আমাৰ সমস্যা হৈছে, কিমান আৰু ক'লৈকে সম্প্ৰসাৰণ কৰোঁ",—এয়া হ'ল বহুৰাষ্ট্ৰীয় ব্যৱসায়িক সংস্থা এটাৰ এজন শীৰ্ষস্থানীয় কাৰ্য্যনিৰ্বাহকে মোক কোৱা কথা। এইজন ব্যৱসায়ীয়ে তিনি বছৰৰ আগতে তেওঁৰ ব্যৱসায় বন্ধ কৰি চিৰদিনৰ বাবে কলিকতা এৰি যাবলৈ ওলাইছিল।

সিদ্ধাৰ্থ ৰয় অনিশ্চিত আৰু থৰক বৰক মুখ্য মন্ত্ৰী এজনৰ পৰা এতিয়া পশ্চিম বঙ্গৰ অপ্ৰতিদ্বন্দী নেতা হৈ পৰিল। তেওঁৰ ৰাইজে তেওঁক ভাল পায়, অৱশ্যে সঘনে কৰা তেওঁৰ দিল্লী ভ্ৰমণে সতীৰ্থ সকলৰ

বাবে উদ্বেগৰ সৃষ্টি কৰে। বঙালীসকলে অৱশ্যে, প্ৰধান মন্ত্ৰীৰ আস্থাভাজন মুখ্য মন্ত্ৰী পোৱাটো গৌৰৱৰ কথা বুলি ভাবে।

ৰাইটাৰ্চ বিল্ডিংত থকা অফিচত মই তেঁওক লগ ধৰোঁ। এই বৈঠক দুঘণ্টা ধৰি চলে।

সিদ্ধাৰ্থ ৰয়ৰ ৰাজনীতি হ'ল—আদৰ্শ আৰু নীতি পালনৰ প্ৰতিশ্ৰুতি দান। তেওঁৰ ব'বে কুৰিদফীয়া অৰ্থনৈতিক কাৰ্যাসূচী হ'ল এক বিশ্বাসৰ অনুচ্ছেদ মাথোন। তেওঁ এই কথাত গুৰুত্ব আৰোপ কৰে যে "এই কাৰ্য্যসূচী পালনত ব্যৰ্থ হলে জনতাই আমাক ক্ষমা নকৰিব।"

সিদ্ধাৰ্থ ৰয়ে বৰ জুখি মাখি কথা কয়: "26 জুনৰ আগতে দেশৰ সংহতিৰ প্ৰতি এক ডাঙৰ বিপদে দেখা দিছিল। কিছুমান বিৰোধী দলক কেতবোৰ বিদেশী সংস্থাই গোপনে সমৰ্থন দিছিল। ইয়াৰ উদ্দেশ্য আছিল অৰাজকতাৰ সৃষ্টি কৰা। প্ৰধান মন্ত্ৰীয়ে সময়োচিত কাৰ্য্যব্যৱস্থা নোলোৱা হলে আৰু জৰুৰী অৱস্থা ঘোষণা নকৰা হলে দেশে স্বাধীনতাই হেৰুৱাব লাগিলহেঁতেন।"

যোৱা কেইমাহত সিদ্ধাৰ্থ ৰয় ভাৰতীয় ৰাজনীতিৰ এজন গুৰুত্বপূৰ্ণ প্ৰধান ব্যক্তি হিচাপে পৰিগণিত হয়; তেওঁৰ দৃষ্টিভংগী আৰু মতামতে নীতি আৰু ৰাষ্ট্ৰীয় আহিঁ ৰূপায়ণত সহায় কৰে।

দেশৰ ৰাজনৈতিক পৰিস্থিতিত গুণগত পৰিৱৰ্ত্তনৰ পৰা আদি কৰি "দাম্ভিক" আমোলাসকললৈকে বিভিন্ন ধৰণৰ প্ৰশ্ন সোধা হৈছিল। শ্ৰীৰয়ে এই সমস্যাবিলাক চালিজাৰি চাই, তন্ন তন্নকৈ ইয়াৰ বিশ্লেষণ কৰি ইয়াৰ ব্যাখ্যা দাঙি ধৰে আৰু ইয়াৰ যুক্তি প্ৰদৰ্শন কৰে।

26 জুনৰ পিছৰ পৰিস্থিতিৰ ওপৰত স্থূল দৃষ্টি ৰাখি শ্ৰীৰয়ে ভৱিষ্যৎবাণীৰ দৰে কৈছিল, "এই কাৰ্য্যসূচী সম্পূৰ্ণৰূপে ৰূপায়ণ কৰিব নোৱাৰিলে আমি মুৰ উলিয়াব নোৱৰা হ'ম, কিয়নো আমাৰ নেতৃ

শ্ৰীমতী গান্ধীয়ে একান্ত আগ্ৰহেৰে ঘোষণা কৰা কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে আমাকেই জগৰীয়া কৰিব।”

জৰুৰী অৱস্থাই দেশৰ ৰাজনৈতিক পৰিস্থিতিত এক নাটকীয় পৰিৱৰ্ত্তন আনিলে। সকলো ঠাইৰ লোকেই ইয়াত আদৰণি জনাইছে। এই পৰিৱৰ্ত্তনৰ বাবে অভিনন্দন জনাই দিয়া দ'ম-দ'ম টেলিগ্ৰাম আৰু চিঠি প্ৰধান মন্ত্ৰীয়ে পাইছিল।

কাৰ্য্যসূচী ৰূপায়ণ

জৰুৰী অৱস্থাৰ প্ৰথম প্ৰভাৱ হ'ল সৰ্বতোপ্ৰকাৰ কল্যাণৰ এক দ্ৰুত পৰিবৰ্ত্তনৰ আশা বৃদ্ধি কৰাটো। শ্ৰীৰয়ে কয় যে এই আশা আকাঙ্ক্ষাবোৰ পূৰণ কৰিব নোৱাৰিলে আমাৰ ৰক্ষা নহ'ব।

শ্ৰীৰয়ে আঙুলিয়াই দিয়ে যে প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা অৰ্থনৈতিক কাৰ্য্যসূচীত গভীৰ আস্থা থকা সকলো ছাত্ৰ, যুৱক আৰু সৰ্বসাধাৰণ ৰাইজক ইয়াৰ ৰূপায়ণৰ কামত সক্ৰিয়ভাবে জড়িত কৰিব লাগিব। এই কাৰ্যসূচী ৰূপায়ণৰ বাবে আটাইতকৈ কাৰ্য্যকৰী ধৰণৰ উপায়ৰ কাৰণে জগজীৱন ৰাম কমিটিৰ প্ৰতিবেদনলৈ বাট চোৱা হৈছে। ইফালে কুৰিদফীয়া কাৰ্যসূচী ৰূপায়ণৰ বাবে তেওঁৰ চৰকাৰে প্ৰশাসনিক ব্যৱস্থাৰে আগবাঢ়িছে।

প্ৰঃ কি প্ৰশাসনিক ব্যৱস্থা।

উঃ কাৰ্যসূচীৰ কিছুমান অতি গুৰুত্বপূৰ্ণ বিষয়ত গৃহহীন লোকৰ মাজত ঘৰ সজা মাটি বিতৰণ, পেটেভাতে খাই থকা খেতিয়ক আৰু সৰুসুৰা খেতিয়ক, ভূমিহীন আধিয়াৰ আৰু কাৰু শিল্পী সকলৰ ঋণ মোচন। সমাজৰ নিম্নস্তৰৰ এই লোকসকলৰ পৰা ঋণ আদায় কৰাটো স্থগিত ৰখাৰ বাবে এখন অধ্যাদেশ জাৰী কৰা হৈছে।

শ্ৰীৰয়ে আঙুলিয়াই দিয়ে যে সমবায়সমূহৰ জৰিয়তে এই সকল লোকলৈ ঋণ দিয়াৰ প্ৰণালী উদ্ভাৱন কৰিবৰ বাবে গোটেই ৰাজ্যৰে বিষয়া আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ কলিকতাত এখন সন্মিলন পতা হয়। “ইয়াৰ বাবে বহু পৰিমাণৰ টকাৰ আৱশ্যক হ'ব; সেয়ে এই কাম আৰম্ভ কৰিবলৈ কিছু সময় লাগিব।”

দুখীয়াসকলৰ বাবে ঘৰ সজা মাটি

প্ৰঃ ঘৰ সজা মাটি বিতৰণৰ বিষয়ে আপুনি কি কব খোজে ?

উঃ ইয়াৰ বাবে 2 অক্টোবৰক আমি শেষ সময় হিচাপে স্থিৰ কৰিছোঁ ভূমিহীনৰ মাজত ভূমি বিতৰণৰ বাবেও এইটোৱেই হ'ব সময় সীমা। সৰ্বোচ্চ সীমাৰ অতিৰিক্ত মাটিখিনি অধিগ্ৰহণ কৰাত অধিক গুৰুত্ব দিব লাগিব। জগজীৱনৰাম কমিটিৰ প্ৰতিবেদন পোৱাৰ পিছতহে এই কাম কৰিব পৰা য'ব। তাৰ পিছত এই কাৰ্য্যসূচী আগবঢ়াই নিবৰ বাবে কিছুমান জনপ্ৰিয় সমিতিও গঠন কৰিব লাগিব।

প্ৰঃ চহৰীয়া মাটিৰ ওপৰত আপুনি কিদৰে সৰ্বোচ্চ সীমা বান্ধিব খোজে? এই বিষয়টো বৰ গুৰুত্বপুৰ্ণ হৈ পৰিছে; কিয়নো বোম্বাইৰ পিছতেই কলিকতাই এই সমস্যাৰ কুফল ভোগ কৰিবলৈ লাগিব।

উঃ অতি সোনকালে এখন কেন্দ্ৰীয় আইন প্ৰণয়ণ কৰা হ'ব যিখন কলিকতা, বোম্বাই আৰু আন ঘাই ঘাই চহৰ অঞ্চলতো প্ৰয়োগ কৰা হ'ব। চহৰীয়া মাটিৰ ক্ষেত্ৰত আমি বিস্তৃতভাবে আলোচনা চলাইছোঁ আৰু এই মতত উপনীত হৈছোঁ যে সাত কঠাতকৈ বেছি মাটি খালী পৰি থাকিবলৈ দিয়া নহ'ব আৰু ইয়াৰ অতিৰিক্ত মাটিখিনি যথোপযুক্ত ভাবে বিতৰণ কৰিব লাগে।

ক্ষতিপূৰণ

প্ৰঃ ক্ষতিপূৰণৰ বিষয়ে কি কয়?

উঃ "ক্ষতিপূৰণ" এতিয়া নাই আৰু। এতিয়া ব্যৱহাৰ হোৱা শব্দটো হ'ল দিবলগীয়া ধনৰ "পৰিমাণ"হে। কেন্দ্ৰীয় চৰকাৰে বৰ সাৱধানেৰে এইটো স্থিৰ কৰিব লাগিব।

প্ৰঃ পশ্চিমবঙ্গত আপোনাৰ বাবে সমানেই জৰুৰী কথা হ'ল ৰাজহুৱা বিতৰণ ব্যৱস্থা। এই ক্ষেত্ৰত আপুনি কি কৰিছে?

উঃ সৌভাগ্যবশতঃ পশ্চিমবঙ্গত প্ৰতিজন মুনিহ, প্ৰতিগৰাকী তিৰোতা, প্ৰতিটো শিশুৰ বাবে ৰেছন কাৰ্ড আছে। অৰ্থাৎ প্ৰতিজন লোকেই একোখন কাড পাব পাৰে আৰু কাৰোবাৰ যদি নাই সেইটো

আমাৰ দোষ নহয়। এখন বৈধ ৰেছন কাৰ্ড থকা লোকক নিৰ্দিষ্ট পৰিমাণৰ ৰেছন দিবলৈ আমাৰ বিধিগত ভাবে এটা দায়িত্ব আছে। ইয়াৰ দ্বাৰা প্ৰায় এক কোটি লোকক সামৰি লোৱা হৈছে।

দুৰ্ভাগ্যবশতঃ পশ্চিমবঙ্গ উৎপাদনকাৰী ৰাজ্য নহয়। আমি ধান, ঘেঁহু আৰু কেইবিধমান সামগ্ৰী উৎপন্ন কৰোঁ যদিও সামান্য পৰিমাণেহে। আচলতে খোৱাতেল, চেনি, নিমখৰ লেখীয়া অত্যাৱশ্যকীয় সামগ্ৰী-বোৰৰ বাবে আমি অন্যান্য ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।

অন্যান্য ৰাজ্যবিলাকৰ পৰা যোগান ব্যৱস্থা নিয়মীয়া হৈ থাকিলে আৰু পৰ্য্যাপ্ত পৰিমাণৰ হলে ৰাজহুৱা বিতৰণত অাহুকাল নহয়। এই বিতৰণ ব্যৱস্থাটো সম্পূৰ্ণৰূপে নিয়াৰি নহয়।

শ্ৰীৰয়ে আঙুলিয়াই দিয়ে যে ৰাজহুৱা বিতৰণ হ'ল কাৰ্য্যসূচীৰ এক গুৰুত্বপূৰ্ণ অংশ আৰু ইয়াক যথোপযুক্তভাবে কাম কৰালেই নহ'ব ইয়াৰ সম্প্ৰসাৰণো ঘটাব লাগিব।

প্ৰঃ কৃষি উন্নত কৰাৰ বাবে জলসিঞ্চনৰ সা-সুবিধাৰ সম্প্ৰসাৰণ ঘটোৱাৰ কথা ভাবিছেনেকি ?

উঃ বৃহৎ পৰিমাণৰ মাটি জলসিঞ্চনৰ অধীনলৈ আনিবলৈ মোৰ চৰকাৰে নিৰ্দেশ দিছে। কেন্দ্ৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে আমি ইয়াৰ বাবে 7 কোটি টকা মঞ্জুৰ কৰিছোঁ। সন্তোষজনক ভাবে "আমন" শস্য লাভ কৰিবৰ বাবে আমি খেতিয়কসকলক ক্ষুদ্ৰ পাম্প আৰু বীজ, কীটাণুনাশক আৰু সাৰৰ যোগান ধৰিছোঁ। পৰীক্ষামূলক হিচাপে আমি উচ্চ উৎপাদনক্ষম বীজৰো যোগান ধৰিছোঁ।

মাটিৰ তলৰ পানী সিঁচাৰ বাবে আমি শ শ দমকল বহুৱাবলৈ আৱশ্যকীয় পুঁজিও মঞ্জুৰ কৰিছোঁ। এতিয়া পানীৰ সমস্যা নাই, মাটিৰ সমস্যাহে আছে। সেইকাৰণে এতিয়া আমি এবিধ শস্য হোৱা মাটিত দুটা তথা তিনিটা শস্য কৰিব পৰা ব্যৱস্থাৰ কথা ভাবিছোঁ।

প্ৰঃ দুখীয়াসকলক কম দামী কাপোৰ যোগান ধৰাটোৰ বিষয়ে আপুনি কি কয় ?

উঃ মানবিশিষ্ট কাপোৰৰ গুণাগুণ সম্পৰ্কে আমি কেন্দ্ৰৰ নিৰ্দেশলৈ বাট চাই আছোঁ। আপুনি চাওক বহুতো বিষয়ত আমি কেন্দ্ৰৰ

নির্দেশৰ বাবে বাট চাবলগীয়া হয়। আমি নিজে কৰিব পৰাখিনি কৰিছোঁ। উদাহৰণ হিচাপে ভূমি বিতৰণ—এইটো তেওঁলোকে কৰিব নোৱাৰে, আমি নিজেই কৰিব লাগে। এইটো আমাৰ দায়িত্ব।

নতুন ৰাজনৈতিক ব্যৱস্থা

প্ৰঃ নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিয়ে কি ৰূপ লব সেই বিষয়ে আপুনি অলপ কবনে?

উঃ এইটো এটা কৌশলপূৰ্ণ প্ৰশ্ন। আমি এনে এটা ৰাজনৈতিক ব্যৱস্থা বিচাৰিছোঁ য'ত নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ থাকিব কিন্তু স্বাধীনতাৰ অপব্যৱহাৰ নহয়। গণতন্ত্ৰ মানে এইটো নুবুজায় যে আপোনাৰ কেৱল অধিকাৰহে থাকিব দায়িত্ব একো নাথাকিব। যদি আপোনাৰ কেতবোৰ কাম কৰাৰ অধিকাৰ থাকে তেন্তে আপোনাৰ আন কেতবোৰ কাম কৰাৰ দায়িত্বও থাকিব। দায়িত্ব অবিহনে কেৱল অধিকাৰ থাকিলে গণতন্ত্ৰ অৰ্থহীন হৈ পৰিব। অধিকাৰৰ লগতে কিছুমান দায়-দায়িত্ব আৰু কৰ্ত্তব্যও থাকিব এই দায়িত্বসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা নহ'লে অধিকাৰ সমূহ অৰ্থহীন হৈ পৰে। আমি এনে এটা ৰাজনৈতিক ব্যৱস্থা বিচাৰিছো য'ত দায়িত্বৰ অঙ্গীকাৰসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব লাগিব আৰু কৰ্ত্তব্য সম্পাদন কৰিব লাগিব। ব্যাপক শৃঙ্খল নহ'লে কোনো ব্যৱস্থাই কাম কৰিব নোৱাৰে।

প্ৰঃ প্ৰাক্তনসৰ্ব্বশিল্প ব্যৱস্থা এই অনুশাসনৰে অংশ নেকি?

উ হয়তো আপোনাৰ এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে 26 জুনৰ আগৰ মাহটোৰ কাগজখিনি পঢ়িলেই হ'ব। তেওঁলোকে যি কৰিছিল সেয়া সম্বাদপত্ৰৰ স্বাধীনতা নাছিল, সেয়া স্বাধীনতাৰ অপপ্ৰয়োগহে আছিল। এইখিনি স্বাধীনতা বুলি কব নোৱাৰি।

কংগ্ৰেছৰ গাঁথনি

প্ৰঃ পৰিৱৰ্ত্তিত পৰিস্থিতিত কংগ্ৰেছৰ ভূমিকা কি?

উঃ কংগ্ৰেছে নিজেই ইয়াক এনে ধৰণে গঢ়ি তুলিব লাগিব যাতে ই সঁচাকৈয়ে কল্যাণ সাধন কৰিব পাৰে। চৰকাৰী কৰ্মচাৰীৰ ওপৰত

সকলো নির্ভৰ কৰি কংগ্ৰেছ কৰ্মীসকল ঘৰত হাত সাৰটি বহি থাকিলে একোৱেই কৰিব পৰা নহ'ব—আনকি কুৰি-দফীয়া কাৰ্য্যসূচীৰ এটা কাৰ্য্যসূচীও নহ'ব। আৰু আমি একে মনৰ আন আন দলৰ লগত কাম কৰিব লাগিব।

কংগ্ৰেছেই হ'ল ভাৰতৰ সৰ্ববৃহৎ দল; ইয়াৰ অবিহনে একো প্ৰগতি সাধন কৰিব নোৱাৰি। ৰাইজৰ কল্যাণ সাধন কৰিব পৰা এইটোৱেই একমাত্ৰ দল। কংগ্ৰেছী লোকসকলৰ ওপৰত নতুন দায়িত্ব আৰু কৰ্ত্তব্য ন্যস্ত হৈছে। যদি তেওঁলোকে এই দায়িত্ব তথা কৰ্ত্তব্যখিনি পালন কৰিবলৈ সমৰ্থ হয় তেতিয়া হলে আমি সম্পূৰ্ণ কৃতকাৰ্য্যতা আৰু সন্মানেৰে ইতিহাসৰ এই আহুকলীয়া অধ্যায়টো অতিক্ৰম কৰিব পাৰিম।

90 বছৰীয়া অৱস্থিতিত কংগ্ৰেছৰ কেইবাবাৰো পৰিবৰ্ত্তন হৈছে আৰু প্ৰতিবাৰেই এই পৰিবৰ্ত্তন মঙ্গলৰ বাবেই হৈছে। ৰাইজৰ আশা আকাঙ্খাৰ লগে লগে ইয়াৰ পৰিবৰ্ত্তন হৈছে: ই সদাই আগবাঢ়ি আহিছে আৰু আগভাগতে আছে।

আজি ই এটা নতুন সামাজিক অৱস্থা আনিছে। 1971 চনৰে পৰা কংগ্ৰেছৰ যথেষ্ট পৰিবৰ্ত্তন হৈছে। এই পৰিবৰ্ত্তনৰ আৱশ্যক আছিল: যিহেতু ই ভাৰতৰ ৰূপ দাঙি ধৰে আৰু জনসাধাৰণৰ আশা-আকাঙ্খা আৰু ইচ্ছাৰ পৰিবৰ্ত্তন ঘটিছে।

প্ৰঃ কংগ্ৰেছক এটা 'কেডাৰ' ভিত্তিক দললৈ সলনি কৰিলে এই পৰিবৰ্ত্তন অধিক কাৰ্য্যকৰী হ'ব নেকি?

উঃ কংগ্ৰেছ আংশিক ভাবে এটা 'কেডাৰ' ভিত্তিক দল। কাৰ্যকৰিতাৰ দিশত আমি ইয়াক 'কেডাৰ' ভিত্তিক কৰি লৈছোঁ, কিন্তু কংগ্ৰেছৰ প্ৰকৃত শক্তি নিহিত আছে জনতাক লৈ গঠিত সাধাৰণ দলৰ ওপৰত। জনতাক কংগ্ৰেছৰ দৰ্শন আৰু আদৰ্শৰ লগত জড়িত কৰিবৰ বাবেই এই 'কেডাৰ'ৰ ব্যৱস্থা।

কংগ্ৰেছৰ লক্ষ্য আৰু আদৰ্শ ভাৰতৰ জনসাধাৰণৰ আশা-আকাঙ্খা আৰু আদৰ্শৰ লগত একেই। আৰু আমাৰ সৌভাগ্যৰ বিষয় এয়ে যে সময়ে সময়ে ই আমাক সঠিক আশা-আকাঙ্খা আৰু নিৰ্ভুল লক্ষ্যলৈ

লৈ যায়। এতিয়া কংগ্রেছৰ বাবে এটা নতুন লক্ষ্য, এটা নিৰ্দিষ্ট লক্ষ্য স্থিৰ কৰিব লাগিব।

যুৱকৰ ভূমিকা

প্ৰঃ পৰিৱৰ্ত্তিত পৰিস্থিতিত দেশৰ সংগঠিত যুৱকৰ বাবে আপুনি কি ব্যৱস্থা ৰাখিছে?

উঃ যুৱক তথা ছাত্ৰসকলে পৰিৱৰ্ত্তিত পৰিস্থিতিত—বিশেষকৈ অৰ্থনৈতিক কাৰ্যসূচীৰ বাস্তৱ ৰূপায়ণত এটা অধিক গুৰুত্বপূৰ্ণ আৰু উদ্দেশ্যপূৰ্ণ ভূমিকা লব লাগিব। আমি অতি আশাৰে বাট চাই থকা পৰিৱৰ্ত্তনত নিজকে অংশীদাৰ কৰি লবৰ কাৰণে সমগ্ৰ দেশতে যুৱক শিবিৰ পতা উচিত। হাজাৰ হওক ভৱিষ্যতে তেওঁলোকৰে প্ৰত্যাহ্বান বেছি।

প্ৰঃ চি পি আই আৰু একে মনৰ আন দলবিলাকৰ ভূমিকাৰ বিষয়ে কব পাৰিবনে?

উঃ চি পি আইয়ে সহযোগিতা আগবঢ়াই আমালৈ লিখিছে। ইয়াৰ বিস্তৃত ব্যৱস্থা যুগুতাই থকা হৈছে। চি পি আই আৰু কংগ্ৰেছে কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট কাৰ্য্যসূচী লৈ কাম কৰা উচিত। অৰ্থনৈতিক কাৰ্যাসূচী সফল হবলৈ হলে বহু ক্ষেত্ৰত সমন্বয় সাধন কৰিব লাগিব আৰু এই কাৰ্য্যসূচীত আস্থা থকা সকলো যুৱক আৰু ছাত্ৰই নিজ নিজ দলীয় আনুগত্য নিৰ্বিশেষে একেলগে কাম কৰা উচিত।

পশ্চিম বঙ্গত যুৱক কংগ্ৰেছ আৰু ছাত্ৰ পৰিষদে এই ক্ষেত্ৰত আগভাগ লব কিয়নো এইকেইটা ডাঙৰ সংস্থা।

প্ৰঃ আমাৰ আমোলাতন্ত্ৰৰ বিষয়ে যথেষ্ট সমালোচনা হৈছে। ই কাৰ্য্যসূচী ৰূপায়ণত সহায় কৰিব বুলি আপুনি ভাবেনেকি?

উঃ চৰকাৰৰ সামাজিক দৰ্শনত অধিক জড়িত কৰিব পৰাকৈ আমোলাতন্ত্ৰৰ সলনি হ'ব লাগিব। মই ইতিমধ্যে দুখন বৈঠক পাতিছোঁ—এখন সচিবসকলৰ লগত আৰু আনখন মন্ত্ৰীসকলৰ লগত। মই এই কথা পৰিষ্কাৰ কৰি দিছোঁ যে তেওঁলোকে কুৰিদফীয়া কাৰ্যসূচীৰ অন্তৰালত থকা সামাজিক দৰ্শন আৰু সামগ্ৰিক ভাবে চৰকাৰৰ অভিপ্ৰায়ৰ কথা ভালদৰে বুজি লব লাগিব। কোনোবা বিষয়াই এই কাৰ্য্যসূচী ৰূপায়ণত অৱহেলা কৰিলে আমি তেওঁক অব্যাহতি দিম।

মই ৰাজ্য চৰকাৰৰ সকলো উচ্চ পদস্থ বিষয়াক কৈছোঁ যাতে তেওঁলোক বিনম্ৰ হয় আৰু দাম্ভিক নহয়। সাম্প্ৰতিক পৰিস্থিতিত আনকি মন্ত্ৰীসকলো এনে হ'ব নালাগিব। কথাবতৰা আৰু আচৰণত আমি যথাসম্ভৱ বিনয়ী হ'ব লাগিব। ৰাইজে চৰকাৰী কৰ্মচাৰী আৰু ৰাজনীতিবিদ সকলৰ পৰাও এইটো আশা কৰে।

দুৰ্নীতি

প্ৰঃ দুৰ্নীতি—কেনেকৈ আপুনি এই সমস্যাটো সমাধান কৰিম বুলি ভাবিছে ?

উঃ পশ্চিম বঙ্গত, দুৰ্নীতিৰ বিষয়ে চকু ৰাখিবলৈ আমাৰ ভালেকেইটা সংস্থা আছে। আমাৰ সতৰ্কতাৰক্ষী সংস্থা আছে। 1972 চনত আমি ইয়াত কাৰ্য্যভাৰ লোৱাৰে পৰা ভালেকেইজন আই এ এচ আৰু আই পি এচ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লৈছোঁ। আমি কাকো এৰি দিয়া নাই। মোৰ নিজৰ সচিবালয়ত এটা সতৰ্কতাৰক্ষী শাখা আছে—যি অভিযোগ লয়। প্ৰতিটো অভিযোগৰ বিষয়ে চকু দিয়া হয়।

শেষত, দেশৰ প্ৰতিজন মানুহে আজি সোধা এটা প্ৰশ্ন মই সুধিলোঁ, জৰুৰী অৱস্থা কিমান দিন থাকিব ?

মুহূৰ্ত্তৰ বাবে শ্ৰীৰয়ৰ চেলাউৰি কোঁচ খালে। হঠাতে আকৌ আত্ম-বিশ্বাসী হাঁহিটোৱে তেওঁৰ মুখমণ্ডল উজ্জ্বল হৈ পৰিল।

"জৰুৰী অৱস্থা যিমান দিনলৈকে দৰকাৰ সিমান দিনলৈকে থাকিব।" এনে লাগিল তেওঁ যেন এটা ৰায়দানহে কৰিলে। "দীঘলীয়া সময়ৰ বাবে থাকিব নে নিচেই কম সময়ৰ বাবে হে থাকিব—মই ভাবোঁ, এই কথা কোনেও এতিয়া ক'ব নোৱাৰে। প্ৰয়োজনতকৈ বেছি সময়লৈ অৰ্থাৎ স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পিছত ইয়াক অব্যাহত ৰাখিবলৈ চৰকাৰৰ অৱশ্যে ইচ্ছা নাই। স্বাভাৱিক অৱস্থা মানে আকৌ 26 জুনৰ আগৰ অৱস্থাটোৰ কথা কোৱা নাই। স্বাভাৱিক অৱস্থাৰ ভাবধাৰা এতিয়া সলনি হ'ল।" তেওঁ বিশদ ভাবে নক'লে। আমিও জোৰ নকৰিলোঁ।